বৈষ্ণৱী-কীৰ্ত্তন

বা

নাম-কীৰ্ত্তন।

শ্ৰীশ্ৰীশঙ্কৰদেৱ, মাধৱদেৱ, আৰু ঠাকুৰদেৱ

প্ৰভৃতি ৰচিত।

শ্ৰীগঙ্গাধৰ বৰকটকীৰ দ্বাৰা

সংগৃহীত আৰু প্ৰকাশিত

৭ম তাঙৰণ—৪৯৬ শঙ্কৰাব্দ, ১৯৪৫ চন

বৰকটকী কোম্পানী,

যোৰহাট।

মূল্য ৸০ অনা

যোবহাট অন্নদা প্রিন্টিং হাউচত,
শ্রীগৌবীচবণ ববকটকীব দ্বাবা ছাপা কবা হল।

পাতনি।

সৰ্ব্বসাধাৰণৰ উপকাৰৰ অৰ্থে এই "বৈষ্ণৱী কীৰ্ত্তন" কিতাপখনি প্ৰকাশ কৰা হল। বৈষ্ণৱসকলৰ ই অতি আৱশ্যকীয় বস্তু, একমাত্ৰ সাৰ। ইয়াৰে নাম-প্ৰসঙ্গ আদি সুন্দৰৰূপে কৰিব পাৰিব। ইয়াক পাঠ কৰিলে জ্ঞান, সুখ বৃদ্ধি হব; ঈশ্বৰৰ চৰণত ভক্তি সিজিব। ইয়াত গুণমালা, ভটিমা, চপয়, চৌটয়, বৰগীত, নাৰায়ণ কৱচ, কীৰ্ত্তন, ঘোষা, তাৎপৰ্য্য, এটকা সাধুৰ যুনা; ইয়াৰ বাহিৰেও সকলো আৱশ্যকীয় বস্তু পাব। ইয়াৰ একোখনি ভদ্ৰমহোদয়সকলে হাতমেলি দাঙি ললে আমাৰ অৰ্থক্ষয় ও পৰিশ্ৰম সাফল হোৱা বুলি মানিব পাৰিম। ইতি—

ইং ১৯২৮ চন।

শ্ৰীগঙ্গাধৰ বৰকটকী
বৰকটকী কোম্পানী
যোৰহাট।

শ্রীকৃষ্ণায় নমঃ।

বৈষ্ণবী কীর্ত্তন বা নাম-কীর্ত্তন।

—০:০:০—

শ্লোক—শ্রীকৃষ্ণায় বাসুদেবায় দেবকীনন্দনায় চ।
নন্দগোপকুমারায় গোবিন্দায় নমো নমঃ॥
নমঃ পঙ্কজনাভায়, নমঃ পঙ্কজমালীনে।
নমঃ পঙ্কজনেত্রায়, নমস্তে পঙ্কজাঙ্ঘ্রয়ে॥
বসুদেবসুতং কৃষ্ণং কংসচাণুর মর্দ্দনং।
দেবকীহৃদয়ানন্দং শ্রীকৃষ্ণং বন্দে জগদ্গুরুম্॥
হরি রাম রাম॥

ধ্যান।—ধ্যেয়ঃ সদা সবিতৃমণ্ডলমধ্যবর্ত্তী,
নারায়ণঃ সরসিজাসনসন্নিবিষ্টঃ।
কেয়ূরবান্ কনককুণ্ডলবান্ কিরিটী,
হারী হিরণ্ময়বপুর্ধৃতশঙ্খচক্রঃ॥

—০:০:০—

বৈষ্ণবী কীর্ত্তন।

॥ গুণমালা ॥

ঘোরা—রাম নিরঞ্জন। পাতক ভঞ্জন ॥

নমো নারায়ণ　　সংসার কারণ।
ভকত তারণ　　তোমার চরণ ॥
তুমি নিরঞ্জন　　পাতক ভঞ্জন।
দানব গঞ্জন　　গোপিকা রঞ্জন ॥
বেদান্ত গায়ক　　বংশীর বায়ক।
জগত নায়ক　　মুকুতি দায়ক ॥
ভকতর ঋদ্ধি　　করা সর্ব্ব সিদ্ধি।
বিধাতার বিধি　　দীন দয়ানিধি ॥
ভকতি রোচন　　দুঃখ সঙ্কোচন।
পাতক মোচন　　কমল লোচন ॥
দৈত্য অন্তকারী　　গোবর্দ্ধনধারী।
ভব ভয়হারী　　তুমিসি মুরারি ॥

কালীক দমিলা পুতনা শুষিলা।
দেৱক তুষিলা ব্ৰজক তুষিলা॥
কেশী কংস বক সমস্ত দৈত্যক।
লগাইলা চমক ডকাইলা যমক॥
তুমি বাৰম্বাৰ হুয়া অৱতাৰ।
পৃথিবীৰ ভাৰ খণ্ডিলা অপাৰ॥
ইন্দ্ৰক দমিলা ব্ৰহ্মায়ো নমিলা।
বনত ভ্ৰমিলা গোপীক ক্ৰীড়িলা॥
পশি ৰঙ্গশাল যত মহামাল।
কৰিয়া আস্ফাল বধিলা গোপাল॥
তযু গুণ নাম ধৰ্ম্ম অনুপাম।
মোক্ষ অৰ্থ কাম সাধা প্ৰভু ৰাম॥
মাৰি দশগ্ৰীৱ জনকৰ জীৱ।
পাইলা সদাশিৱ তুমি জগজীৱ॥
তোমাৰ চৰিত্ৰ পাতকীৰ মিত্ৰ।
পৰম পৱিত্ৰ কৰিলা বিচিত্ৰ॥
পণ্ডিত পাৱন এভৱ ভাৱন।
অসুৰ দমন তুমিসি বামন॥
অগতিৰ গতি ত্ৰিজগত পতি।
তোমাত ভকতি থাকোক সম্প্ৰতি॥
শ্যামল শৰীৰ জলদ ৰুচিৰ।
গহীন গম্ভীৰ গুণৰ মন্দিৰ॥

কুণ্ডলে মণ্ডিত   অসুৰ দণ্ডিত।
পাতক খণ্ডিত   তুমিসি পণ্ডিত॥
দাৰিদ্ৰ্য মৰ্দ্দন   কৰুণা সদন।
বংশী বদন   মুৰুতি মদন॥
হাস্য দৰশন   পাপ কৰি হন।
দোষ মৰিষণ   কাম বৰিষণ॥
জগত আধাৰ   দৈৱকী কুমাৰ।
সংসাৰত সাৰ   চৰণ তোমাৰ॥
তুমি ভগৱন্ত   মহিমা অনন্ত।
তাৰিলাহা সন্ত   পুৰুষ মহন্ত॥
তুমি সুবৎসল   পুৰুষ নিছল।
নাহি কিছু ছল   ভকত বৎসল॥
তুমি অৱতৰি   অসুৰ সংহৰি।
সৃষ্টি আছা ধৰি   দেৱ শ্ৰীহৰি॥
অঘাসুৰ ঘালী   মহাবলশালী।
দমিলাহা কালী   তুমি বনমালী॥
কৰি পৰাভৱ   খেদাইলা দানৱ।
ভকত বান্ধৱ   তুমিসি মাধৱ॥
কৰি অবিচ্ছেদ   দৈত্য কৰি ভেদ।
খণ্ডিলাহা খেদ   উদ্ধাৰিলা বেদ॥
জগতক বশ্য   কৰিলা অৰণ্য।
ভৈলা মহা মৎস্য   ব্ৰহ্মাণ্ড সমস্ত॥

তুমি মহাহংস আসি নিজ অংশ।
হুয়া যদু বংশ বধিলাহা কংস ॥
জগত নিঃশেষ সবাত প্রবেশ।
ভৈলা হৃষীকেশ নাজানি উদ্দেশ ॥
তুমি পীতাম্বর করি আড়ম্বর।
বধিলা সম্বর প্রভু বিশ্বম্ভর ॥
তুমিসি অচ্যুত আনন্দে আপ্লুত।
ভকত বহুত করিলা মুকুত ॥
ধরি মৎস্যকায় সত্যব্রত রায়।
প্রলয় অপায় তারিলা লীলায় ॥
কূর্ম্ম কলেবর ধরিলা মন্দর।
মথিলা সাগর নভৈলা ভাগর ॥
বরাহ শরীরে উদ্ধারি ভূমিরে।
হিরণ্যাক্ষ বীরে মারিলাহা ছিরে ॥
নরসিংহ রূপু ভৈলা দিব্য বপু।
বধিলাহা রিপু হিরণ্যকশিপু ॥
ভৈলা অদিতিত বামন উদিত।
সুকৃতি ললিত বলিক ছলিত ॥
যামদগ্নি রাম কাটি চামেচাম।
ক্ষত্রিয়র নাম নথৈলা সংগ্রাম ॥
ভৈলা কৌশল্যাত শ্রীরিরাম জাত।
রাবণ বিঘাত করিলা লঙ্কাত ॥

ৰাম হলধৰ ৰোহিণী কুমৰ ।
মাৰিলা ইতৰ দ্বিবিদ বানৰ ॥
বুদ্ধৰূপে ছন্ন কৰি বেদগণ ।
মুহিলাহা মন ত্যজিয়া সজ্জন ॥
হুয়া কল্কী চণ্ড যতেক পাষণ্ড ।
কৰি খণ্ড খণ্ড বিহিলাহা দণ্ড ॥
ধৰি বাৰম্বাৰ দশ অৱতাৰ ।
পৃথিৱীৰ ভাৰ খণ্ডিলা অপাৰ ॥
কৃষ্ণৰ কিঙ্কৰে ৰচিলা শঙ্কৰে ।
হৰি হৰি নৰে বোলা নিৰন্তৰে ॥

ঘোষা ।

হৰি হৰি ৰাম । হৰি হৰি ৰাম ॥

নমো লক্ষ্মীপতি অগতিৰ গতি ।
চৰণে সম্প্ৰতি কৰিলো প্ৰণতি ॥
গুণ চিন্তামণি সংসাৰ তৰণী ।
পাপৰ অগনি ঘুষিয়োক চনি ॥
ইটো ৰিতোপম ধৰ্ম্ম সনাতন ।
আকাশে কীৰ্ত্তন কৰে সাধুজন ॥
শুনিয়ো দশম আতি নিৰুপম ।
কৃষ্ণৰ পৰম জনম কৰম ॥

দৈত্যেয়ে ভিড়িলা ভাবেয়ে পীড়িলা।
দুঃখ সাক্ষী দিলা পৃথিৱী কান্দিলা॥
ব্ৰহ্মায়ে প্ৰাৰ্থন্তে আসি জগন্নাথে।
জন্মিলা জলন্তে দৈৱকীৰ হন্তে॥
অদ্ভুত বালক কুটিল অলক।
বক্ষৰ তিলক শোভে কপোলক॥
হসিত বয়ন কমল নয়ন।
রুচিৰ দশন পীইত বসন॥
কিৰীটি কুণ্ডল কৰে ঝলমল।
কৌস্তুভে উজ্জ্বল শোভে কম্বুগল॥
হস্ত চাৰিখন আভি বিভোপন।
কেয়ুৰ কঙ্কণ প্ৰকাশে ভূষণ॥
বহল হৃদয় বনমালা তয়।
পড়ি গুঞ্জৰয় ভ্ৰমৰে বজয়॥
ৰতনে ৰচিত মেখলা কটিত।
পাট তুনি পীত লোটিৱ মাটিত॥
উৰু কৰীকৰ জঙ্ঘা মনোহৰ।
কণক বজ্ৰৰ ৰঞ্জিত হোভুৰ॥
চৰণ পল্লৱ পদ্ম অভিনৱ।
নূপুৰৰ ৰৱ শুনন্তে উৎসৱ॥
অঙ্গুলিৰ পাঙ্তি নখচন্দ্ৰ কান্তি।
দেখি খণ্ডে ভ্ৰান্তি তাপ উপশান্তি॥

বস্তা গগনতলে　অতুল বচন।
চিহু সকলোতে　আতিশয় জলে॥
জগতর তাত　আছন্ত জগাত।
চারি অস্ত্র হাতে　প্রকাশে সাকার॥
দেখি হুয়ো প্রাণী　এতো চক্রপাণি।
মনে অনুমানি　বোলে স্তুতি বাণী॥
কৃষ্ণে কথা কৈলা　শিশুরূপ ভৈলা।
নিগড় ছোড়াইলা　কোলে তুলি লৈলা॥
বসুদেব সন্তে　লৈয়া নড়িলন্ত।
ফণায়ে অনন্ত　ছত্র ধরিলন্ত॥
নমনীর কূল　যমুনা বিপুল।
ছড়াই তার কূল　পাইলন্ত গোকুল॥
কৃষ্ণক থৈলন্ত　কন্যাক লৈলন্ত।
বসুদেব সন্তে　তুনাই আসিলন্ত॥
নন্দেয়ে দেখিল　পুত্র উপজিল।
উৎসব মিলিল　মহা দান দিল॥
নন্দ যশোদার　গৃহত অপার।
করিলা বিহার　জগত আধার॥
অনেক যন্ত্রণা　করিলা মন্ত্রণা।
আসিলা পুতনা　গুচিলা চেতনা॥
পবন সকট　দধি দুগ্ধ ঘট।
সহিতে শকট　করিলা উলট॥

দৈত্য চক্ৰবাত ভৈল বজ্ৰপাত।
কৃষ্ণৰ লীলাত পড়িয়া শিলাত॥
জগতৰ স্বামী প্ৰভু অন্তৰ্য্যামী।
মাতৃ কোলগামী তুলিলন্ত হামি॥
জগত নিখিল গৰ্ভত দেখিল।
বিস্ময় মিলিল যশোদা ডৰিল॥
আসি গৰ্গ ঋষি গোপনত বসি।
জাত কৰ্ম্ম ৰাশি কৰিলা হৰিষি॥
বিধিব্ৰতে নাম থৈলা কৃষ্ণ ৰাম।
কহি গুণ গ্ৰাম গৈলা নিজ ধাম॥
পাছে ব্ৰজপুৰে বজে ভ্ৰমি ফুৰে।
সোণাৰ নূপুৰে ৰুণ ঝুণ কৰে॥
অগনি সৰ্পক যান্ত ধৰিবাক।
দেখি দেন্ত হাক মুগুনন্ত তাক॥
গোপিকাৰ ঘৰে পশি দামোদৰে।
অপকাৰ কৰে দেখি নিৰন্তৰে॥
গোপীগণ আসি যশোদাত হাঁসি।
কৃষ্ণচেষ্টা ৰাশি কহন্ত প্ৰকাশি॥
দেখিলে গোৱালী শিশু বনমালী।
নানা চতুৰালি কৰন্ত ধূৰ্ত্তালি॥
কি কহিব আই কৃষ্ণৰ অপায়।
নদোহন্তে পাই বৎসক পিয়ায়॥

ঘরে পশি যায় দধি দুগ্ধ খায়।
বানরে খুবায় ভাজিয়া পেলায়॥
কি ভৈল দুর্জ্জন তোমার নন্দন।
কৃষ্ণর কারণ নরহে জীবন॥
শুনি হেন বাণী লাজে চক্রপাণি।
নেত্রে বহে পানী দেখি নন্দরাণী॥
স্নেহ সম্পজিল সারতি ধরিল।
আশ্বাস করিল মুখে স্তন দিল॥
সঙ্গে শিশুগণ খেলে নারায়ণ।
মৃত্তিকা ভক্ষণ করিলা তখন॥
দেখি শিশু জাক বোলে যশোদাক।
শুনি বাণী তাক খঙে বোলে বাক॥
কেনে মাটি খাইলি অরে বনমালী।
নখাইলোহো বুলি দেখায় মুখ মেলি॥
সকল জগত দেখিল গর্ত্তত।
হরিক মনত স্মরন্ত ডরত॥
বোলন্ত বিস্ময় মোহোর তনয়।
মনুষ্য নোহয় ঈশ্বর নিশ্চয়॥
দিনেক প্রভাতে রাণী নিজ হাতে।
দধিক তথাতে মথন্ত সাক্ষাতে॥
আসি দেবহরি মথনীক ধরি।
বৈলা রঙ্গ করি দেখিলা সুন্দরী॥

আসিয়া নন্দন বদন চুম্বন।
করি ঘনে ঘন পিয়াইলন্ত স্তন॥
দুগ্ধ উথলিয়া পথয় দেখিয়া।
পুত্রক এড়িয়া গৈল লড়িয়া॥
কেশয়ে কুপিলা ধরি পটা শিলা।
ভাণ্ডক ভাঙ্গিলা যশোদা দেখিলা॥
বাবি লৈলা করে দেখি দামোদরে।
নামি উড়লবে লব দিলা ভবে॥
যশোদা খেদন্ত ভয়ে ভগবন্ত।
কান্দন্ত কাম্পন্ত বাবি এড়িলন্ত॥
করে ধরি আনি উদুখলে টানি।
বান্ধি চক্রপাণি চলি গৈলা বাণী॥
উড়ল ঘষাই বৃক্ষত লগাই।
উভাড়ি পেলাই বণ্ডে আছা চাই॥
দুই দেব বব দিব্যরূপ-ধর।
করিয়া কাতব চলি গৈলা ঘব॥
কিবা ভৈল বুলি নন্দে বান্ধ মেলি।
মলাছিয়া ধূলি কোলে লৈলা তুলি॥
গোপব সুন্দবী বজাবে চাপবি।
অঙ্গ-ভঙ্গ-করি নাচে দেবহবি॥
পসাবী ডাকিল কোনে লৈবা ফল।
শুনিয়া চলিল কৃষ্ণ দয়াশীল॥

ধাতুক সিলান্ত — ফলক তৈলন্ত।
বস্ত্র অপর্য্যন্ত — তাও ভাসিলন্ত॥
গোকুল ত্যজন — তেজি আকরণ।
পাছে বৃন্দাবন — করিলা গমন॥
বৎস অসুর — পরম চতুর।
কপি মরিযুর — দিলা যমপুর॥
আসি বকগোটে — গিলিলেক ঠোঁটে।
তাক ধরি চোটে — ছিরিলা আস্ফোটে॥
সর্পরূপে আসি — অঘে তুলি হাঁসি।
বদন প্রকাশি — গিলিল গরাসি॥
ভেটিলন্ত গল — ভকত বৎসল।
এড়ি মূত্র মল — মরিল নিষ্‌খল॥
তাব করি কাল — বৎস বৎসপাল।
জীয়াইয়া তৎকাল — বঞ্জাইলা গোপাল॥
সঙ্গে শিশুগণ — বন্দে নারায়ণ।
অন্ন ব্যঞ্জনক — করিলা ভোজন॥
গোবৎস দামুরি — ব্রহ্মা করি চুরি।
থৈয়া ঢাকি ঘুরি — গৈলা নিজপুরী॥
বৎস বৎস-পাল — হুয়া সেহি কাল।
আপুনি গোপাল — গৈলা ব্রজ-শাল॥
অনেক বিভূতি — কৃষ্ণর মূরুতি।
দেখিয়া বিস্মৃতি — ব্রহ্মা ভৈলা ভীতি॥

যেন মৃতবন্ত পড়িল হংসত।
নাহি আব তত চেতন গাবত ॥
ব্রহ্মাক মবন্ত দেখি ভগবন্ত।
ৰূপ ঢাকিলন্ত হুনাই জীলন্ত ॥
হংসযান এড়ি চবণত পড়ি।
নানা স্তুতি কবি গৃহে গৈলা লবি ॥
ধেনুকক মাবি গাছক আছাবি।
তালফল পাবি ভুঞ্জাইলা মুবাবি ॥
তৃষ্ণায়ে আকুল হুয়া গোপকুল।
যমুনাব কূল গৈলা হুয়া ভুল ॥
খাইল বিষজল ভৈলন্ত বিহ্বল।
জীবনে বিকল মবিল সকল ॥
দেখি নাবায়ণ অমৃত নয়ন।
চাহিলা তেখন লভিলা চেতন ॥
কদম্বে চড়িলা হ্রদত পড়িলা।
কালীয়ে ঝাড়িলা শিবত চড়িলা ॥
ফণাব উপবে দেৱ দামোদবে।
উঠি নৃত্য কবে সিটো সর্প মবে ॥
নাগ-পত্নীচয় বুলিলা বিনয়।
কালীক নির্ভয় দিলা কৃপাময় ॥
তীবত চড়িলা জ্ঞাতিয়ে বেঢ়িলা।
গলত বান্ধিলা যশোদা কান্দিলা ॥

নিকালি কালীক পিলা বনাগ্নিক।
গোপ গোপীক বঞ্চিলা অধিক॥
প্রলম্ব অরিষ্ট চিন্তিলা অনিষ্ট।
মারিলা গরিষ্ঠ রাম যে বলিষ্ঠ॥
বেড়ি কুঞ্জবন লাগে হুতাশন।
দেখি গোপগণ ভৈলা ভয়মন॥
পাছে নারায়ণে সদয় নয়নে।
তারি রঙ্গমনে আনিলা তেখনে॥
বসন্ত গ্রীষ্মত বর্ষা শরতত।
ক্রীড়া নানামত করিলা ব্রজত॥
একচিত্ত করি গোপর কুমারী।
সাধে ব্রত ধরি স্বামী হৈবা হরি॥
বস্ত্র থৈয়া তীরে কেবল শরীরে।
যমুনার নীরে স্নানি ধীরে ধীরে॥
কৃষ্ণে করি লীলা বস্ত্রক হরিলা।
কদম্বে চড়িলা হাসি বস্ত্র দিলা॥
কর্ম্মক উচ্ছাদ বিপ্রক বিষাদ।
পত্নীক প্রসাদ দিলাহা আহ্লাদ॥
বদতি শঙ্কর শুনা সবে নর।
আন পরিহর ভজা দামোদর॥
দিন কতিপয় জীবন নিশ্চয়।
যাইবা যমালয় নাহিকে সংশয়॥

বিনা লক্ষ্মীপতি নাহি আন গতি।
জানিয়া সম্প্রতি করিয়ো ভকতি॥
ভেবেসে নিস্তরি পুরুষ উদ্ধারি।
হৃদি রূপ ধরি মুখে বোলো হরি॥
মাধবের নাম ধর্ম্ম অনুপাম।
এরি আন কাম বোলা রাম রাম॥

শ্লোক —বেদে রামায়ণে চৈব পুরাণে ভারতে তথা।
আদিমধ্যাবসানেষু হরিঃ সর্ব্বত্র গীয়তে॥১॥
মূকং করোতি বাচালং পঙ্গুং লঙ্ঘয়তে গিরিং।
যৎকৃপা তমহং বন্দে পরমানন্দ মাধবং॥২॥

নিগমকল্পতরোর্গলিতং ফলম্
শুকমুখাদমৃতদ্রবসংযুতম্।
পিবত ভাগবতং রসমালয়ম্,
মুহুরহো রসিকা ভুবি ভাবুকাঃ॥৩॥
যদক্ষরং পরিভ্রষ্টং মাত্রাহীনঞ্চ যদ্ভবেৎ।
সম্পূর্ণং তদ্ভবেৎ সর্ব্বং শ্রীকৃষ্ণস্য প্রসাদতঃ॥৪॥

গুৰু ভটিমা।

—•]⌒[•—

জয় গুৰু শঙ্কৰ সৰ্ব্বগুণাকৰ
যাকেৰি নাহি উপাম।
তোহাৰি চৰণকু ৰেণু শতকোটি
বাৰেক কৰোহোঁ প্ৰণাম॥
নৰশিশু সুন্দৰ গৌৰ কলেৱৰ
যৈছন সুৰ পৰকাশ।
সকল সভাসদ ৰঞ্জন যাকেৰি
দৰশনে পাপ বিনাশ॥
বিনে অঙ্গভূষণ পেখি সুশোভন
গহীন গম্ভীৰ ধীৰ মতি।
আয়ত কমল নয়ন বৰ সুন্দৰ
বয়ন চান্দকছু জ্যোতি॥
লীলা গজগতি গমন বিলোকন
বাণী মেঘ গম্ভীৰ।
পাষণ্ড মৰ্দ্দন কলিকো কালে
যাকু সম নাহি ধীৰ॥
যোহি নাৰায়ণ মায়াক বিস্তাৰি
কৰু ত্ৰিজগত নিৰমাণ।

সনক সনাতন যোগী যাকেৰি
মহিমা কৰহু নজান ॥
সকল চৰাচৰ পালনকাৰী
যো হৰি দেৱক দেৱা।
চতুৰ বয়ন শিৱ সুৰপতি যাকেৰি
কৰু নিত্য চৰণহি সেৱা ॥
চাৰি বেদ সৱ শিৰোমণি মাজে
যাকেৰি চৰণ বিকাশ।
সোহি দেৱক কয়লি কলিকো
শঙ্কৰ দেৱ পৰকাশ ॥
ত্ৰিভুবন বন্দন দৈৱকী নন্দন
যো হৰি মাৰল কংস।
জগত তাৰণ দেৱ নাৰায়ণ
শঙ্কৰ তাকেৰি অংশ ॥
মায়া নৰতনু ধৰি হৰি ভকতি
কয়লি বহু পৰচাৰ।
সব নৰ পাপ পয়োধি মজ্জল
তাহে কয়লি উদ্ধাৰ ॥
অৰনিশি চাৰি বেদ বিচাৰি
বেকত কৰু হৰি নাম।
যাকেৰি বয়নে মিলাই গাই
পাই মনোৰথ কাম ॥

পণ্ডিত মানি বেদ বখানি
গরব করয়লি সব চূর।
গীত কবিত্ব গুণ শঙ্কর দেবর
কীরিতি গয়ো বহুদূর॥
শ্রীযশ দান মান ভূত দয়া
সব গুণ সম্পন্ন ঠিক।
ভকতক ভকতি দানে করে শুক
দায়া তনয় অধিক॥
হরিক মূরতি শুকতি মন মগন
মজ্জল আনন্দ-সিন্ধু।
ঐছন নিরমল হৃদয়ে বিকাশিত
ভকত কুমুদকুল ইন্দু॥
নিজ কুল তারি ভকতি বিস্তারি
বান্ধল হরিগুণ সেতু।
কলিযুগে পাপ- পয়োধি সব নর
তারণ কারণ হেতু॥
ভকতি ভাণ্ডার দ্বারসব ছোরি
মুকুতি করয়লি উদাস।
এক শরণ হরি নাম ধরম কহোঁ
রাজা কর পরকাশ॥
কি কহব শঙ্কর দেবর মহিমা
জানি অন্ত নাপাই।

যাকেরি চরণক বেণু শিরে পরশি
মুকুতি সুখ সুখে পায়॥
মাধব দীন মূরখমতি কহয়
বাণী শুন সব লোই।
বিনে গুরু চরণ ভকতি রকতি
মুকুতি কবহু নাহোই॥
ওহি পরম তত্ত্ব বেদকো বাণী
জানি নর নকর বিরাম।
ধরমক করমক গরবক ছোরি
ডাকি বোলহু রাম রাম॥

দেব ভটিমা।

পৰম পুৰুষ পুৰাতন পাপী
পাৱন ঈশ্বৰ দেৱ।
ব্ৰহ্মা ৰুদ্ৰ আদি দিক্‌পাল
যাকু কৰত নিত্য সেৱ॥
যক্ষ ৰক্ষ বিপক্ষ লক্ষ
লক্ষ ক্ষয়ৰ্কাৰী।
দুষ্ট দৈত্য দানৱ দলন দীন
দাৰিদ্ৰ্য দুঃখ ভয়হাৰী॥
অঘ বক কুবলয় ধেনুক কেশী
কংস নাশী বনমালী।
গোপী পিন-পয়োধৰ ঘৰিষণ চঞ্চল
কৰ যুগশালী॥
আনন্দ সিন্ধু সাধুজন.বন্ধু
মধুৰ মূৰতি মুৰনাশী।
বিৰিন্দা-বিপিন বিহাৰ বিশাৰদ
শাৰদ ইন্দু পৰকাশী॥
কোটী মদন-মন মোহনৰূপী
পৰশন পৰমানন্দ।

সিদ্ধমুনিবৃন্দ সাদৰ বন্দিত
যাকৰ এ পদদ্বন্দ্ব॥
পালন প্রলয়া সৃজনা জগতক
যাহেৰি পৰম বিহাৰ।
যাসু নাম ধৰি অধম পাপী
পাৰত ভৱনদী পাৰ॥
সোহি গোপালক কেলি নাটক
ওহি মুকুতি নিদান।
ভো ভো সভাসদ সাধুজন সব
শুন মন কয় সাৱধান॥
কলিকো পাপহৰ নাহি অতঃপৰ
জানি তেজহু আন কাম।
কহে কৃষ্ণ কিঙ্কৰ আপোন উদ্ধৱ
ডাকি বোলহু ৰাম ৰাম॥

পূৰ্বাৰ গীত।

ৰাগ শ্যাম।

পৰভাতে সুমৰো গোবিন্দ হৃষীকেশ।
চিদানন্দ মূৰতি কপট গোপবেশ॥
সত্য সনাতন নিত্য নিৰঞ্জন দেৱ।
অনাদি অনন্ত যোহি বিনে নাহি কেৱ॥
সোহি প্ৰভু নাম ধৰে নন্দকু নন্দন।
কৰো পৰভাতে তযু চৰণ বন্দন॥
সনক সনন্দ যোগী যাহাকো ধিয়াই।
সকল নিগমে যাকু বিচাৰি নাপাই॥
চতুৰ বয়ন ভব কৰু যাক সেৱ।
গোপ নন্দ ভবনে বেকত সোহি দেৱ॥
অৰুণ নয়ন নখ অৰুণ বৰণ।
অৰুণ অধৰ চাৰু অৰুণ চৰণ॥
নীলমণিনিভ 'তনু এ জগজীৱন।
কহয় মাধৱ গতি নন্দকু নন্দন॥

রাগ সেয়ে।

তেজরে কমলাপতি পরভাত নিন্দ।
তেরি চান্দ মুখ পেখোঁ উঠরে গোবিন্দ ॥
রজনী বিদুর দিশ ধরলি ররণ।
তিমির ফাড়িয়া বাজ ররির কিরণ॥
শতপত্র বিকশিত ভ্রমর উরাই।
ব্রজবধূ দধি মথে তুয়া গুণ গাই ॥
দামে সুদামে ডাকে তেরি লৈয়া নাম।
হের দেখ উঠিয়া আসিল বলরাম॥
নন্দ গেল বাথানে গোয়াল গেল পাল।
সুরভী চারিতে লাগে উঠরে গোপাল॥
ক্ষীর লবণু লৈয়া শিঙা বেত, বেণু।
সকালে মেলিয়ো বৎস হেম্বালরে ধেনু॥
কহয় মাধর মাই কিনো তপসাইলা।
ত্রিজগতপতি হরি রাখোয়াল পাইলা॥

রাগ কৌ।

উঠরে উঠ বাপু গোপাল হে
নিশী পরভাত ভৈল।
কমল নয়ন বুলি ঘনেঘন
যশোয়া ডাকিরে লৈল॥

মোর প্রাণধন সুচান্দ বয়ন
গায় চালি তেজ নিন্দ।
সর্ব্ব পুরুষ শিবর ভূষণ
তুমি সে বাপু গোবিন্দ॥
মোর পুত্র বুলি যশোয়া গোয়ালী
বুকে বান্ধি কোলে লৈলা।
বয়নে চুম্বন করি ঘনে ঘন
আনন্দে মগন ভৈলা॥
সিদ্ধ মুনিগণে চিন্তিয়া নপারে
সো হরি যশোয়া কোলে।
ত্রিজগত পতি ভকতি মিলিল
মূকথ মাধয়ে বোলে॥

রাগ শ্যাম।

পরভাতে শ্যাম কানু ধেনু লৈয়া সঙ্গে।
বংশীর নিস্বানে বৃন্দাবনে চলে রঙ্গে॥
জগতর গুরু হরি কাচি গোপ কাচে।
আভীর বালক বেঢ়ি চলে আগে পাছে॥
শিকা বান্ধি চান্দি কান্ধে লৈয়া দধি-ভাত।
মাথায়ে চান্দনি জরী সাজে জগন্নাথ॥
বাম কাষে শিঙা বেত নেত কক চেলী।
বহু রসে লাসে বেশে চলে করি কেলি॥

অসংখ্য সহস্র শিশু ধেনু বৎসগণ।
শিঙা শঙ্খ বেণু রবে পূরারে গগণ॥
নানান খেলান খেলে বহু ভাবে গারে।
নানান বিনোদ রসে ভুবন ভুলারে॥
বৈকুণ্ঠের পতি হরি বনে চারে ধেনু।
কহয় মাধব গতি কানুপদরেণু॥

রাগ সেয়ে।

মাই মাই খেলত গোপাল গোঁসাই।
কালিন্দী পুলিন বন ওহি যদুনন্দন
ফিরত গউরা চরাই।
গজপতি গমন চলয় জগজীবন
গোধন আগু বুলাই॥
আনন্দে নন্দ- নন্দন পরমানন্দ
মোহন বাঁশরী বজাই।
সনক সনাতন যতহু যোগীজন
যাকেরি চরণ ধিয়াই॥
সো হরি নন্দ গোকুল সহ মিলল
দীন মাধরে গুণ গাই।

বৰগীত।

ৰাগ আসোৱাৰী।

জয় জয় যাদৱ জলনিধিজাধৱ ধাতা
শ্ৰুতমাত্ৰাখিলত্ৰাতা।
স্মৰণে কৰয় সিদ্ধি দীন দয়ানিধি
ভকতি মুকুতি পদদাতা॥
জগজন জীৱন অঞ্জন জনাৰ্দ্দন
দনুজ দমন দুঃখহাৰী।
মহদানন্দ কন্দ পৰমানন্দ
নন্দনন্দন বনচাৰী॥
বিবিধ বিহাৰ- বিশাৰদ শাৰদ
ইন্দু নিন্দি পৰকাশী।
শেষ শয়ন শিৱ কেশী বিনাশন
পীত বসন অবিনাশী॥
জগত বন্ধু বিধু মাধৱ মধুৰিপু
মধুৰ মূৰতি মুৰনাশী।
কেশৱ চৰণ সৰোৰুহ কিঙ্কৰ
শঙ্কৰ কহ অভিলাষী॥

রাগ ধনশ্ৰী।

নাৰায়ণ কাহে ভকতি কৰো তেৰা।
মেৰি পামৰ মন মাধৱ ঘনে ঘন
ঘাতুক পাপ ন ছোৰা॥
যত জীৱ জঙ্গম কীট পতঙ্গম
অগ নগ জগতেৰি কায়া।
সবকহু মাৰি পূৰত ওহি উদৰ
নাহি কৰত ভূত দায়া॥
ঈশ স্বৰূপে হৰি সবঘটে বৈঠহ
যৈছন গগণ বিয়াপি।
নিন্দা বাদ পিশূন হিংসা হৰি তেৰি
কৰোহোঁ হামু পাপী॥
কাকু শঙ্কৰ কৰ কৰু কৰুণানাথ
যোন ছাৰহু ৰাম বাণী।
সব অপৰাধক বাধক তুৱা নাম
তাহে শৰণ লেহু জানি॥

রাগ গৌৰী।

নাচে ভালি নাচে মদন গোপালা।
বজায়া মোহন বেণু গলে বনমালা॥
অৰুণ চৰণ দুহোঁ থমকে চলাই।
ঈষত ঈষত হাঁসি পঞ্চম গাই॥
শ্যামল সুন্দৰ চান্দ বয়ন বিকাশ।
কহয় মূৰুখমতি মাধৱ দাস॥

রাগ গৌরী।

রাম পরম ধন চিন্তহু মন ভাই।
তনু চিন্তামণি জন্ম বিফলেহি যাই॥
বিষয়ক সুখ শূকরী কহোঁ পায়।
হরিপদ সেবা মানবী বিনে নাই॥
ঝুণ্টা ঐছন জনম গোঞাই।
বিষয় কাচক লাগি মাণিক বিকাই॥
ওহি পরমতত্ত্ব বেদক বাণী।
কহয় মূকখমতি মাধব জানি॥

রাগ সেয়ে।

সোই সোই ঠাকুর মোই যো হরি প্রকাশা।
নাম স্মরত রূপ ধরত
তাকেরি হামু দাসা॥
পণ্ডিতে পঢ়ে শাস্ত্র মাত্র
সার ভকতে লিয়ে।
অন্তর জল ছুটয় কমল
মধু মধুকর পিয়ে॥
যাহে ভকতি তাহে মুকুতি
ভকতে এ তত্ত্ব জানে।

যৈছে বণিক চিন্তামণিক
জানিয়া গুণ বখানে॥
কৃষ্ণ কিঙ্কৰ শঙ্কৰ কহে
ভজ গোবিন্দক পায়।
সোহি পণ্ডিত সোহি মণ্ডিত
যো হৰি গুণ গায়॥

রাগ সেয়ে।

নাহি নাহি ৰময়া বিনে, তাপ তাৰক কোই।
পৰমানন্দ, পদ মকৰন্দ, সেবহু মন মোই॥
তীৰথ বৰত, তপ জপ যাগ, যোগ যুগুতি।
মন্ত্র পৰম, ধৰম কৰম, কৰত নাহি মুকুতি॥
মাতা, পিতা, পতনী, তনয়া, জনম সব মৰণা।
ছাড়হুঁ ধন্ধ, মানস অন্ধ, ধৰতু হৰি চৰণা॥
কৃষ্ণ কিঙ্কৰ, শঙ্কৰ কহ, বিছোৰি বিষয় কাম।
ৰাম চৰণ, লেহু শৰণ, জপ গোবিন্দৰ নাম॥

ৰাগ তুৰ ভাটিয়ালী।

নাথ তাৰিয়ো তাৰিয়ো তাৰিয়ো যদুমণি।
মজিলো এ ভৱসিন্ধু তোমাক নাজানি॥
এ ভৱ সাগৰ মাজে পৰি হামু ভাসি।
কাম ক্রোধ কুম্ভীৰ মকৰে গিলে আসি॥

শোক মোহ ভয় মহাপাকে জল করে।
তৃষ্ণা তরঙ্গে পায়া সব শ্রুতি হরে॥
চিন্তা নাম বাড়ব-অগনি শোষে প্রাণ।
নাহিকে তরণী তুয়া পদ বিনে আন॥
জানিয়া তোমার পারে পশিলো শরণ।
কহয় মাধব গতি অরুণ চরণ॥

রাগ সেয়ে।

কেমনে পাইবো হরি চরণ তোরে।
এ দুঃখ সাগরে উদ্ধার মোরে॥
এ ভব আটোপ অরণ্য মাজে।
কালব্যাধে মৃগ মারিতে সাজে॥
হামো পশু মায়াজালত বন্দী।
নাহি দেখোঁ হামু পলাইতে সন্ধি॥
কাম ক্রোধ কুত্তা কামুরি খায়।
বিষয় বিষ লাগি এ জীব যায়॥
রূপ রস আদি এ পঞ্চবাণে।
হৃদয় মাজে হামু ফুটল টানে॥
পাপ পুণ্য ভৈল এ বর ডোর।
গলার মাজে ছান্দি বান্ধিল মোর॥
কালব্যাধে ধরি লই যায় টানি।
রাখু রাখু মোরে শারঙ্গপাণি॥

কালৰো কাল বিভু সবাৰ হৰি।
নাহি নাহি আৰ তোমাৰ সৰি॥
জানিয়া শৰণ লৈলো তোমাৰ পায়।
দীন মাধৱ দাসে এ ৰস গায়॥

ৰাগ আসোৱাৰী।

ৰামক বাণী জপহু মন ভাই।
কলিকো কালে আৱৰ গতি নাই॥
যাকেৰি বয়নে ৰহত ৰাম বাণী।
তাকেৰি চৰণ ৰেণু লেহু জানি॥
ৰাম চৰণ যোহি কৰত উপাসা।
তাকেৰি হোঁ হামু দাসকু দাসা॥
মাধৱ দাস মূৰুখমতি গাই।
ৰহু মন ভকত চৰণ ৰেণু লাই॥

ৰাগ ভাটিয়ালী।

দয়াৰ ঠাকুৰ হৰি যদুমণি ঐ ৰাম
অধমে তোমাৰ নাম ডাকে।
কৃপা কৰা নাৰায়ণ আমাৰ চঞ্চল মন
তোমাৰ চৰণে যেন থাকে॥
এক বিপ্ৰ অজামিল মন্দমতি পাপশীল
পুত্ৰ ভাৱে স্মৰি তোমাৰে।

কৰ্ম্মবন্ধ কৰি নাশ   বৈকুণ্ঠে পাইলে বাস
ইতো আতি বিদিত সংসাৰে ॥
তাতো কোটি কোটি গুণ   পাপখণ্ডি নিৱাৰণ
তোমাৰ নামত কৈলো আশা ।
পৰম পতিত আমি   পতিতপাৱন তুমি
ই জানিয়া কৰিলো ভাৰসা ॥
ধন্য ধন্য কলি কাল   ধন্য নৰতনু ভাল
ধন্য ধন্য ভাৰতবৰিষে ।
তপ জপ যজ্ঞ তেজি   তোমাৰ চৰণে ভজি
তুৱা নাম ঘোষয় হৰিষে ॥
সকল নিগমে কয়   অভয় তোমাৰ পায়
আৰু ভালে জানি নাৰায়ণ ।
মাধৱ মূৰ্খমতি   তুৱা পাৱে যদুপতি
সত্যে সত্যে পশিলো শৰণ ॥

ৰাগ সেয়ে ।

মোকে তেজিয়ো না   কেনে অহে জগন্নাথ
মই বড় পাপৰ পাপী ।
সংসাৰ কূপত   পৰিয়া তোমাৰ
চৰণে নধৰো চাপি ॥
কত তপসাই   নৰ তনু পাই
গোৱাইলো বিষয় ভোগে ।

হেন চিন্তামণি অমূল্য রতন
বিকাইলো কাচর মোলে॥
দেরে নাহি পাই মানবী হুইবার
মই পাপী আসিয়া পাইলো।
তোমার ভকতি অমিয়া তেজিয়া
বিষয় গড়ল খাইলো॥
লোভ মোহ কাম ক্রোধ মদ মন
ইসব বৈরীর সঙ্গে।
আপোন ইচ্ছায় পাপ আচরিয়া
ফেরাইলো মনত রঙ্গে॥
পর তিরী পর ধনর আশায়
সদায় আকুল ভৈলো।
তুমি মহাধন তোমাক নেসেবি
জনম বিফল কৈলো॥
আয়ু আলেজালে গৈল পাইলে কালে
প্রাণ কোন দিনা পরে।
যমর যাতনা শুনিয়া হৃদয়
কম্পিত হইল বড়ে॥
তোমার অভয় চরণে শরণ
বিনে নাহি আন গতি।
তুমি দয়াময় জানিয়া কহয়
মাধর মূৰ্খমতি॥

রাগ কেদার।

(বাম) পায়ে পরি হরি করব কাতরি
প্রাণ রাখবি মোর।
বিষয় বিষধর বিষে জর জর
জীবন নারহে থোর॥
অথির ধন জন জীবন যৌবন
অথির এহু সংসার।
পুত্র পরিবার সবহি অসার
করব কাহেরি সার॥
কমলদল-জল চিত্ত চঞ্চল
স্থির নোহে তিল এক।
নাহি ভব্র ভয় ভোগে হরি হরি
পরম্পদ পরতেক॥
কহতু শঙ্করে এ দুঃখ সাগরে
পার করা হৃষীকেশ।
তুহুঁ গতি-মতি দেহু শ্রীপতি
তত্ত্বপথ উপদেশ॥

রাগ কল্যাণ।

জয় জয় জগজন তারণ কারণ
নারায়ণ পর দেবং।
হর চতুরানন আদি অমরগণ
করু যাকর পদসেবং॥

ব্যোম বিশ্ব মোহ কোটি কোটি অণ্ড
ভাণ্ডব কক সম বেণুং।
নিরঞ্জন রঞ্জন ভঞ্জন ব্রজ দুঃখ
মোদি বিনোদিত বেণুং॥
কলসী ভাঙ্গল দধি সব নাশল
কয়লি ভোজন নবনীতং।
ভীতি পলায়ল বান্ধল জননী
অর্জ্জুন ভঞ্জন বীতং॥
নাচত গায়ত ভাব দেখায়ত
হাসত বহু লয়লাসং।
হরিকহু চরণ কমল মধু আশে
কহে দীন মাধব দাসং॥

রাগ ভাটিয়ালী।

হরি মোর হরি মোর এ দীন দয়াল।
কে জানিতে পারয়ে তোমার ঠাকুরাল॥
নাহি জন্ম তোমার তথাপি জন্ম ধরা।
সোহি জন্মে জীবর জনম দূর করা॥
সহজে অকর্ত্তা কর্ম্ম করা অপর্য্যন্ত।
সোহি কর্ম্মে জীবর কর্ম্মর করা অন্ত॥
তুমি প্রভু নির্গুণ গুণের সীমা নাই।
নির্গুণ হোয়য় জীব সোহি গুণ গাই।
কহয় মাধব মেরি ওহি আশা মন।
সহজ-পীরিতি হোক তোমার চরণ॥

রাগ অহির।

কেশব হে হামাকেরি রাখহু প্রাণ।
নিজ কিঙ্করীক জীবন দেহু দান॥
তব পদপঙ্কজ জীবন জগবাস।
কয়লো কমলনয়ন চির আশ॥
বিপদ-পয়োনিধি পরলো মুরাক।
দীন-বান্ধব দেব উদ্ধারা হামাক॥
পাপী শিশুপাল কাল ভেলি মেরি।
তোহারি চরণে শরণ লৈলো হরি॥
গতি গোবিন্দ বিনে নাহি আন।
রুক্মিণী করুণা কর শঙ্করে ভাণ॥

কোমল গীত।

করতলকমল কমলদলনয়ন।
ভবদবদহন গহন-বনশয়ন॥
নপবনপবপব শতবক্ত গমর।
সভয়অভয় ভয় মমহর শততয়॥
খরতরবরশর হতদশবদন।
খগচর নগধর ফণধর শয়ন॥
জগদঘ মমহর ভবভয়তরণ।
পরপদলয়কর কমলজনয়ন॥

প্ৰসঙ্গীয়া ঘোষা।

কৃষ্ণ ৰাম কৃষ্ণ ৰাম।
কৃষ্ণ কৃষ্ণ ৰাম, জয় জয় ৰাম॥
কৃষ্ণ হৰি ৰাম হৰি ৰাম ৰাম ৰাম।
অনন্ত অচ্যুত সনাতন নাৰায়ণ প্ৰাণ॥
গোবিন্দ গোবিন্দ গোবিন্দ গোবিন্দ
গোবিন্দ ৰাম মুৰাৰি।
অনন্ত কোটি ব্ৰহ্মাণ্ডৰ হৰি অধিকাৰী॥
গোবিন্দ ৰাম মুৰাৰি মুকুন্দ ৰাম মুৰাৰি।
ভকতি ৰোচন দুঃখবিমোচন ভকতৰ ভয়হাৰী॥
পৰম পুৰুষ পৰম আনন্দ পৰম গুৰু মুৰাৰি।
অনাদি অনন্ত অচ্যুত গোবিন্দ ভকতৰ ভয়হাৰী॥
জয় যাদৱ এ, মোৰ প্ৰাণ জীৱেৰ জীৱন নাৰায়ণ।
ভকতৰ ধন তয়ু অৰুণ চৰণ॥

যাদৱ যদুনন্দন, মাধৱ মধুসূদন।
তুমি নিত্য নিৰঞ্জন নাৰায়ণ,
তোমাত লৈলো শৰণ॥
ইবাৰ করুণাময় হৰি কমলাপতি,
মোকে নছাড়িবা নাৰায়ণ।
অৰুণ চৰণ তলে হৰি কমলাপতি।
সত্যে সত্যে পশিলো শৰণ॥

হৰি চৰণত শৰণ লৈলো এ হৰি নাৰায়ণ।
মানবী জনম সফল কৈলো, এ হৰি নাৰায়ণ ॥
গোপাল গোবিন্দ যদুনন্দন।
কৃষ্ণৰ চৰণে লৈলো শৰণ ॥

ৰাঘৱৰ অভয় চৰণে।
সত্যে সত্যে পশিলো শৰণে ॥
ৰামৰ চৰণে শৰণ লৈলো।
মানবী জনম সফল কৈলো ॥
হৰি ও হৰি চৰণে লাগো।
অভয় চৰণে শৰণ মাগো। ॥
ৰাম ৰঘুপতি ৰঘুনন্দন।
তোমাৰ চৰণে লৈলো শৰণ ॥

দীনবন্ধু ৰাম দয়াশীল দেৱ।
তুৱা পদ কমলে সদায় কৰো সেৱ ॥
মোৰ প্ৰভু ৰাম করুণাসাগৰ।
আমি দুঃখিতক নছাড়িবা দামোদৰ ॥
মধুৰিপুৰাম কমললোচন।
তুৱা গুণ নাম ভৱভয় বিমোচন ॥
বন্দো মাধৱ মধুৰিপু ৰাম।
তুৱা পদকমল যুগল হৰি এ।

মাধৱ মাধৱ মাধৱ মধুৰিপু।
গোবিন্দ কৃষ্ণ হৰি হৰি ৰাম॥

নাৰায়ণ নিৰঞ্জন নিৰাকাৰ নিৰাময়।
মুৰাৰি এ হৰি হৰি ৰাম॥

প্ৰাণ গোপাল দিনবন্ধু নাৰায়ণ।
হে হে পৰম গুৰু পুৰুষুত্তম, হৰি পুৰুষুত্তম।
পুৰুষুত্তম পুৰুষুত্তম জয় পুৰুষুত্তম॥

হৰি হৰি হৰি হৰি হৰি হৰি হৰি
কি কাম কৰিলো আমি।
সাধু সঙ্গ লৈয়া তোমাক নভজি
ভৈলো কিনো অধোগামী॥
নিজ দাস হুয়া সেৱাক তেজিলো।
এহি দোষে ঘোৰ আপদে মজিলো॥
তুমিসি সুহৃদ আত্মা প্ৰিয়তম।
তথাপি তোমাক নজানো অধম॥
তুমি নিজ পিতৃ গুৰু ইষ্ট মোৰ।
মই মন্দমতি ভৈলো সেৱাচোৰ॥
অধমকো তাৰে তোমাৰ ভকতি।
তথাপি তোমাক নভজো কুমতি॥
ইষ্টদেৱ বুলি তোমাক নধৰো।
নিকাৰ ভুঞ্জিয়া সংসাৰতে মৰো॥

তুমিসে কেৱলে কৰুণাসাগৰ।
তোমাক নভজো কি মই পাৱৰ ॥
এবে কৃপাময় দিয়োক শৰণ।
দোষ মৰিষণ তোমাৰ চৰণ ॥
ইবাৰ ঈশ্বৰ নছাড়িবা মোক।
মোৰ মন মজি তোমাতে ৰহোক ॥

হিয়াৰ মাঝে নামৰ ভাণ্ডাৰ, মুখে বাজ হয়।
ৰাম নামে মাৰণা মাৰে, পাপ কটকৰ ক্ষয় ॥
পাপ বিপক্ষক সংহৰি হৰি নামে খলখলি হাসে।
সকলো ধৰ্ম্মৰ উপৰে বসিয়া হৰি নাম প্ৰকাশে ॥
মুকুতি সুখক বশ্য কৰি হৰি নামে আনন্দত নাচে।
পুৰুষে সহিতে সখিত্ব কৰিয়া চলয় হৰিৰ কাছে ॥
আপোন নামৰ মহিমা দেখিয়া হৰিৰ আনন্দ চৰে।
যিতো নাম লয় হৰি তাৰ হয় ইপুনু ৰহস্য বড়ে ॥
হৰিগুণনাম ভাবিয়া পুৰুষে ৰহয় হৰিৰ পাশে।
হৰিৰ চৰণ হৃদয়ে ধৰিয়া কহয় মাধৱ দাসে ॥

এ ভাৱক ভাই ভজ ভগৱন্ত ভকতিভাৱে।
ভগৱন্ত ভজিয়া পৰম গতি পাৱে ॥
ভগৱন্ত নভজি চলয় যম ঠাৱে।
ভগৱন্ত ভকতক শমনে নধাৱে ॥

ভগৱন্ত ভজিয়া জনম বাহুৰাৰে।
আন যত সৱে মিছা ভক্তিৰ অভাৱে॥
জানিয়া ভজিয়ো ভাই ভগৱন্ত পাৱে।
এহু ৰস মাধৱ মূৰুখমতি গাৱে॥

ন-ঘোষা।

দৈৱকীনন্দন দেৱ মোত পৰে নাই কেৱ
পৰম পাতকী সংসাৰত।
শৰণে পশিলো আমি চৰণে ৰাখিয়ো স্বামী
থৈয়ো নিজ ভৃত্যৰ সঙ্গত॥
তযু ভকতৰ সঙ্গে গাইব গুণ মহা ৰঙ্গে
শ্ৰৱণে শুনিবো যশ যত।
হৃদয়ত ধৰো ৰূপ তেবে তৰো ভৱকূপ
এহিমানে মাগো চৰণত॥
হে বন্ধু কৃষ্ণদেৱ মোত পৰে নাহি কেৱ
আউৰ পৰম মন্দমতি।
তুমি হেন প্ৰভু পাই তযু পাৱে ৰতি নাই
মই পাপী গৈলো অধোগতি॥

ই তিনি লোকত দেয় হেন আৰ আছে কেয়
পতিতক ৰাখে সংসাৰত।
পতিতপাৱন তুমি শাস্ত্ৰ মুখে আছো শুনি
শৰণে পশিলো চৰণত॥
বৈষ্ণৱৰ পদধূলি মাথে লৈবো হাতে তুলি
কৰিবো শ্ৰৱণ প্ৰসঙ্গত।
মুখত নেৰিবো নাম তেবে মোৰ সিদ্ধি কাম
এহিমানে মাগো চৰণত॥
তুমিসি শঙ্কৰ গুৰু ভকতৰ
কল্পতৰু জানি মই পশিলো শৰণে।
আউৰ মোৰ নাহি ত্ৰিভুৱনে।
শৰণে পশিলো বাপ গুচায়ো সংসাৰ তাপ
নাম মোৰ নছাড়োক মনে॥

—— ০:*:০ ——

কীৰ্ত্তন ।

ঘোষা ।

ত্ৰাহি গোপাল কৃপাল স্বামী ।
মজিলো ভৱজলধিত আমি ॥

পদ ।

একমনে শুনা হৰিৰ ধ্যান ।
বৈকুণ্ঠ নামে আছে মহাথান ॥
শাৰী শাৰী ৰঞ্জে বিমানচয় ।
বৈদূৰ্য্য হীৰা মৰকতময় ॥
চন্দ্ৰ-সূৰ্য্য যেন প্ৰকাশে আতি ।
নজানি যাত পশি দিন ৰাতি ॥
চাৰু সৰোবৰ নিৰ্ম্মল জল ।
সুগন্ধি পদ্ম শোভে উতপল ॥
আছে ৰাজহংস সমূহে ৰঙ্গি ।
লীলায়ে মৃণাল ভুঞ্জে উভঙ্গি ॥
পাৰে পাৰিজাত মলয়া বায় ।
চটকে ত্যজে সুললিত ৰায় ॥
ভ্ৰমৰগণে গায়ে হৰি গীত ।
বৈষ্ণৱগণ শুনি আনন্দিত ॥

হেন বৈকুণ্ঠের মাঝত পাছে।
উচ্চি_ত রত্নমন্দিরেক আছে॥
বৈদূর্য্যের স্তম্ভ স্ফটিক রাব।
মাণিক্য কপাট হীরার দ্বার॥
কাটিলা জিঞ্জিরি সুবর্ণাবলী।
বিচিত্র মণি মরকত স্থলী॥
পদ্মরাগ রত্নে লগাইলা চৌতি।
কোটী সূর্য্য যেন গৃহর জ্যোতি॥
বিচিত্র চন্দ্রাতপ আছে টানি।
আরিল মুরারি মুকুতা মণি॥
হেন মন্দিরে রত্ন সিংহাসনে।
আছন্ত বসি প্রভু নারায়ণে॥
চৌপাশে সেৱে পারিষদ যত।
মৌক্তিক ছত্র ধরি ওপরত॥
ধরল চামরে দুপাশে বিঞ্চে।
সঘনে সুরভি কুসুম সিঞ্চে॥
চরণে অনেক ভকতি তারে।
উপাসন্ত লক্ষ্মী জগত মারে॥
চৈতন্যময় শুদ্ধ রূপ ধরি।
পরম আনন্দে আছন্ত হরি॥
আতি চমৎকার রূপ বিপুল।
কন্দর্প কোটী যাক নোহে তুল॥

কোটী ইন্দু সম আছে প্রকাশি
স্মৰণে দহয় পাতক ৰাশি ॥
ভকতৰ বন্ধু জগত বাপ।
বোলা হৰি হৰি হৰোক পাপ ॥

ঘোষা।
করুণাসিন্ধু, ভকত বন্ধু।
ৰূপে তুল নোহে কোটী ইন্দু ॥
পদ।
স্থিৰ বুদ্ধি কৰি ভকত জনে।
প্রত্যেক অঙ্গক চিন্তিব মনে ॥
চৰণ পদ্ম দেখি সুখী হুই।
অৰুণ আতি পদতল দুই ॥
অঙ্কুশ পদ্ম ধ্বজ বজ্র যৱ।
দেখি চিহ্ন তাতে মিলে উৎসৱ ॥
চৰণ-পঙ্কজ আছে প্রকাশি।
অঙ্গুলি-পান্তি তাৰ তৈল পাশি ॥
দেখিয় ৰত্নৰ পাকৰি নয়।
প্রকাশে তাতে নখচন্দ্রচয় ॥
ৰতনে উজ্জ্বল উজন্তি যত।
নূপুৰ প্রকাশে পাদপৃষ্ঠত ॥

বজ্রুব হোড়ব জলে জন্মাত।
উরু কবি-কর সম সাক্ষাত॥
কটিত প্রকাশে বসন পীত।
বান্ধিছে মেখলা বত্নে খচিত॥
নাভি সরোরুহ রুচির কান্তি।
হৃদয়ে প্রকাশে শ্রীবৎস পান্তি॥
উরস্থলে লক্ষ্মী দিলন্ত দেখা।
কষটিত যেন সোণার রেখা॥
পীতবস্ত্রে শোভে শ্যামল কায়।
তড়িত জড়িত জলদ প্রায়॥
বহল হৃদয়ে মুকুতা হার।
প্রকাশে ঝিলিমিলি পেচন্দার॥
চিকিমিকি করে বত্ন উজ্জ্বলা।
আপাদলম্বী গলে বনমালা॥
তাহার মধুগন্ধে হয়া ভোল।
বেড়িয়া মধুকরে করে বোল॥
চারু চতুর্ভুজ শোভে সুঠান।
ললিত বলিত নীল মোলান॥
কেয়ুর কঙ্কণ বলয়া তাত।
প্রকাশে নব কিশলয় হাত॥
বজ্রুব শলাকা অঙ্গুলি পান্তি।
অঙ্গুঠিচয় তাতে করে কান্তি॥

অরুণ নখ চন্দ্রমার শারী।
শঙ্খ-চক্র-গদা-পঙ্কজধারী॥
গলত গলপতা সাতসরি।
উরে নবগুণ পীত উত্তরী॥
শ্যামল শরীরে শোভে অধিক।
ময়ূরপুচ্ছ যেন চিকমিক্॥
কম্বুকণ্ঠে শোভে কৌস্তুভ মণি।
প্রভাতে উদিত আদিত্য জিনি॥
পূর্ণচন্দ্র-রুচি মুখমণ্ডল।
কর্ণত মকর দোলে কুণ্ডল॥
তার রশ্মি জ্বলে গণ্ড পাণ্ডুর।
রুচির চিবুক চারু অধর॥
প্রবাল রঙ্গে যেন করে কান্তি।
সুন্দর দন্ত মুকুতার পান্তি॥
সদায় মুগুচে ঈষত হাঁস।
নাসা তিলফুল সম প্রকাশ॥
অরুণ লোচন পঙ্কজ পাশি।
ধনু সম আছে ভ্রূর প্রকাশি॥
রত্নময় করে তিলকে কান্তি।
কপালে লম্বিত অলকা পান্তি॥
রঙ্গে শিরে রত্নময় মুকুট।
চূড়ামণি রঙ্গে প্রকাশে জুট॥

তাৰ মাজে বন্ত্র-পঙ্কজমালা।
উজ্বল মুখ তাৰ লাগি জ্বালা॥
হেন মনোহৰ ৰূপ নিৰীখি।
থাকিব সমস্ত অঙ্গক দেখি॥
মস্তকৰ পৰা পাদ পৰ্য্যন্তে।
নমাইবে মনক ছুনাই দেখন্তে॥
ধ্বজ-বজ্র-যব-পঙ্কজ যাৰে।
প্ৰদক্ষিণে নমি পৱিৰ পাৰে॥
এতেকে হৈবেক পৰম সিদ্ধি।
হৃৰিসে জানা জগতৰ নিধি॥
হেলায় সংসাৰ তৰিবা পুনু।
নকৰা বিফল মনুষ্য তনু॥
দৃঢ় কৰি ধৰা হৰিৰ পাৱ।
পাপসাগৰত এহিসে নাৱ॥
কৃষ্ণৰ কিঙ্কৰে শঙ্কৰে ভণে।
বোলা হৰি হৰি সমস্ত জনে॥

ঘোষা।

এ প্ৰাণ হৰি গৈলা এৰি।

পদ।

হেন হৰি ভৈলোহোঁ বঞ্চিত।
কিমতে ধৰিবো আৰে চিত্ত॥

সুপ্রভাত মথুরা পুরীর।
মুখপদ্ম দেখিবে স্বামীর॥
জীবর জীবন প্রাণপতি।
আজি পাইবে কোন ভাগ্যবতী॥
কিনো সুপ্রসন্ন ভৈল বিধি।
হাতে পাইলে গোকুলর নিধি॥
মুখপদ্ম চন্দ্র নোহে সরি।
আনন্দে দেখিবে নেত্রভরি॥
পাইব গৈয়া নাগরী সুন্দরী।
আউর তুনাই নাসিকন্ত হরি॥
সৌহৃদ্য ভাঙ্গিলা ক্ষণেকতে।
উপাসন্ত লঙ্ঘি কেনমতে॥
কিনো নিদারুণ নারায়ণ।
সুবুলিলা প্রবোধ বচন॥
পতি পুত্র এড়ি ভৈলো চেড়ী।
কোন মতে প্রভু গৈলা এড়ী॥
কিনো বজ্রে বান্ধিলেক হিয়া।
ভকতক গৈল দুঃখ দিয়া॥
আমি মরো তোমার বিরহে।
জানি কেন মতে হৃদি সহে॥
এহি বুলি কান্দে গোপনারী।
রাম কৃষ্ণ বুলি গেরি পারি॥

নেত্রের লোতক পরে ধারে।
ঘনে ঘনে নিশ্বাস ফোঁফারে॥
হরি বিনা নভাবে বচনে।
নপাসরে সচেতে সপনে॥
রাত্রি দিনে গায়ে হরি গীত।
কৃষ্ণতে অর্পিলা প্রাণ চিত্ত॥
কায়স্থ শঙ্করে এভু ভণে।
হরি কথা শুনা সর্ব্বজনে॥
হরির কীর্ত্তন মুখে করা।
মাধরর রূপ হিয়ে ধরা॥
অল্প পুণ্যে নপাই আক জানি।
সদা নছাড়িবা রাম বাণী॥
পাপীজনে হরি সুস্বরে।
পাতকে মুখত চেপি ধরে॥
আনে সুস্বরন্তে শুনি মরে।
পাপে চিত্ত উচপিচ করে॥
হরিধ্বনি শুনি কাণ ফাটে।
নিন্দা করি ফুরে হাটে বাটে॥
হেন জানি পাপক সংহরি।
সদায় ঘুষিয়ো হরি হরি॥

ঘোষা।

কি কৰিলো কি কৰিলো ভকতি নকৰি।
অন্তকে পাইলেক আসি ৰক্ষা কৰা হৰি ॥

পদ।

নকৰিলো শিৰে মাধৱক নমস্কাৰ।
ইটো মাথাগোট মোৰ ভৈল মহাভাৰ ॥
কৰ্ণ দুই আছে নুশুনিলো হৰি কথা।
দুগোটা গৰ্ত্তৰ ভাৱ বহিলোহো বৃথা ॥
জিহ্বা মোৰ আছন্তে নলৈলো ৰাম নাম।
দাদুৰীৰ জিহ্বা যেন ভৈল কোন কাম ॥
নেদেখিলো নয়নে প্ৰভুৰ যেন ৰূপ।
সম্যকে জানিলো দুয়ো আখি অন্ধকূপ ॥
যেন চিত্ৰ বিচিত্ৰ মৈৰাৰ ভাসে পাখি।
হৰি ৰূপ নেদেখিলো পাইলো তেন আখি ॥
হৰিপদ তুলসীৰ নলৈলোহো ঘ্ৰাণ।
জীৱন্তে মৰিলো নাসা ভাটিৰ সমান ॥
পিন্ধিলোহো বাহুত অনেক অলঙ্কাৰ।
প্ৰভুৰ পূজাক নকৰিলো একবাৰ ॥
কৃষ্ণ কৃত্য নকৰিলো ভৈলোহো বৰ্ব্বৰ।
ইটো হস্ত বাহু মিছা মৃতক শৰৰ ॥
পাৱ দুই আছন্তে নগৈলো ক্ষেত্ৰ স্থান।
মোৰ পাৱ ভৈল বৃক্ষ শিপাৰ সমান ॥

হাঁ হাঁ দয়াময় মোৰ কি কৰিলা গতি।
প্ৰভু তুৱা নাম লৈতে হৌক মোৰ মতি॥
কৰ্ম্ম দোষে যিবা জন্ম হোয়ে সংসাৰত।
তাতো নছাড়োক চিত্ত তুৱা চৰণত॥
সদায় ঘোষোক ৰাম নাম মোৰ মুখে।
সংসাৰ সাগৰ ভেবে তৰো মই সুখে॥
সকল জগত তযু মায়ায়ে মোহিত।
তোমাৰ চৰণে প্ৰভু কেৱে নেদে চিত্ত॥
পুত্ৰ দাৰা নিগড়ে বান্ধিলো হুয়ো ভৰি।
মৰন্তে আছোহোঁ তবু নোবোলোহো হৰি॥
দুৰ্ল্লভ মনুষ্য জন্ম ভাৰতত পাইলো।
তোমাক নেসেৱি বৃথা জনম গঁৱাইলো॥
নিচিন্তিলো একবাৰ তোমাৰ চৰণ।
তৰু-বন জীয়ে যেন আমাৰ জীৱন॥
বিষয়ত ভোল হুয়া কৰিলোহো ভোগ।
তাৰ ফলে শৃগাল শ্বানৰ ভৈলো যোগ॥
ভৱ তৰিবাৰ যোগ্য লভিলো শৰীৰ।
বিষয় বাতাসে পায়া কৰিলে অস্থিৰ॥
কবে টলবল দেহা কেনে হুইবো পাৰ।
প্ৰভু দাস বুলি প্ৰভু কৰিয়ো উদ্ধাৰ॥
সুকবি শেখৰ তুৱা দাসৰ দাস।
কাতৰ কৰোহো দিয়ো চৰণত বাস॥

তাৎপর্য্য।

পদ।

শুনিয়োক সর্ব্বজন কৃষ্ণব চবিত্র।
আতপবে আন পুণ্য নাহিকে কলিত॥
লভি আছা জন্ম যিটো ব্রহ্মাব বাঞ্ছিত।
জানি যত্নে কবা পান কৃষ্ণ কথামৃত॥
ক্ষণিক শবীব বিলম্বত কার্য্য নাই।
চিন্তামণি জন্ম হেবা হাততে হবাই॥
নাহিকে চেতন কাল অজগবে গিলে।
ধন-জন-জীবন যাইবেক একতিলে॥
যত দেখা ভার্য্যা পুত্র সবে অকাবণ।
চাই মাত্র থাকে কালে ধবে যেতিক্ষণ॥
বিষয়ব সুখ একতিলে কবি চুব।
যমব কিঙ্কবে ধবি নিবে যমপুব॥
যমব মূর্ত্তিক দেখি হবাইবে চেতনা।
দুর্ঘোব নবকে পেলাই ভুঞ্জাইবে যাতনা॥
হেন জানি কৃষ্ণব চবিত্র কবা সাব।
তেবেসে তবিবা ঘোব সংসাব নিকাব॥
বিচাবি শাস্ত্রত পাইবা এহিসে যুগুতি।
কৃষ্ণব নামেসে সাধে ভুকুতি মুকুতি॥
কলিব পবম ধর্ম্ম জানা হবি নাম।
শঙ্কবে বচিলা ডাকি বোলা বাম বাম॥

কৃষ্ণৰ চৰিত্ৰ পৰম অমৃত
আত পৰে ন্যাহি আন।
কোটি কোটি যজ্ঞ জপ তপ দান
সবেও নুহি সমান॥
যত গুণ নাম ধৰ্ম্ম অনুপাম
আক সাৰ কৰি ধৰা।
যত দেৱ ধৰ্ম্ম দূৰতে তেজিয়া
কৃষ্ণত ভকতি কৰা॥
হেন তত্ব জানি চিন্তা চক্ৰপাণি
অনাদৰি আন কাম।
কৃষ্ণৰ কিঙ্কৰে বচিলা শঙ্কৰে
ডাকি বোলা ৰাম ৰাম॥

কেশৱৰ লীলা ইটো শুনা সভাসদ।
পাতক অন্তক মহা ভাগৱত পদ॥
যত ধৰ্ম্ম কৰ্ম্ম যজ্ঞ আৰ অনুচৰ।
আত নাহি গতি আৰ কলিৰ লোকৰ॥
হেন জানি কৃষ্ণৰ চৰণে দিয়া মতি।
জানিবা হৰিসে পৰলোকৰ যে গতি॥
ভকত জনৰ নিজ সুহৃদ-মাধৱ।
জানিবা হৰিসে পৰলোকৰ বান্ধৱ॥

ইহেন মনুষ্য জন্ম বৃথা যায় আয়ু।
কৈত কেতিক্ষণে পৰে ইটো প্ৰাণ বায়ু॥
যত দেখা ভাৰ্য্যা-পুত্ৰ সবে অকাৰণ;
চাই মাত্ৰ থাকে কালে ধৰে যেতিক্ষণ॥
যম যাতনাক তৰিবাৰ কৰা কাম।
শঙ্কৰে ৰচিলা ডাকি বোলা ৰাম॥

ঘোষা।

শৰণ।

হৰিপদ সেৱা নকৰে নিমিত্তে
মায়ায়ে বান্ধি ফুৰাৱে।
তাৰত মায়াক নতৰে হৰিত
শৰণ নলয়ে যায়ে॥
মই দুৰাচাৰ কেৱলে তোমাৰ
অপৰাধি নাৰায়ণ।
ক্ষমিয়োক হৰি লৈয়ো দাস কৰি
পশিলো হেৰা শৰণ॥
হে কৃষ্ণ স্বামী তযু পাৱে আমি
কেৱলে শৰণ চাওঁ।
কৰা অনুগ্ৰহ মায়াৰ নিগ্ৰহ
ভেবেসে প্ৰভু এৰাওঁ॥

হে যদুপতি মই মূঢ়মতি
নজানো সেবা তোমাব।
কেবলে তোমাব সেপ্ত পকরে
শবণ কবিলো তাব॥
পুরুষ উত্তম পবম পুরুষ
পবম আনন্দ স্বামী।
তব পাদপদ্ম মকবন্দ আশে
শবণ পশিলো আমি॥
প্রভু ভগবন্ত অনন্ত ঈশ্বব
প্রণাম জন তাবণ।
তুমি প্রিয়তম পবম দেবতা
জানিয়া লৈলো শবণ॥

ভজন।

জয় জয় জয় কৃষ্ণ কৃপাময়
ভজিলো তোমাব পাবে।
তোমাব চবণ পঙ্কজত মন
মজোক মোব স্বভাবে॥
জয় জয় বাম জগত কাবণ
জগত জীবন স্বামী।
পবম দেবতা জানিয়া তোমাব
চবণে ভজিলো আমি॥

অনাদি অনন্ত হে ভগৱন্ত
ভক্তো কৰি প্ৰণিপাত।
মুকুতি বসকো তেজি মহাজনে
শৰণ লৱে তোমাত॥

নমস্কাৰ।

হে কৃষ্ণ দেৱ পাপী বুলি কেৱ
মোক মোৰ নোবোলয়।
পতিত পাৱন জানিয়া তোমাত
আপুনি গৈলো বিক্ৰয়॥
নমো হৰিপদ পঙ্কজ যুগল
বিমল সুখ সাগৰ।
অনাদি অনন্ত দেৱ সদাশিৱ
ভগৱন্ত ভয়হৰ॥
মোহ মায়া ৰাগ মদ মল কাম
দম্ভ দ্বেষ আদি ভাৱ।
যি গুৰু জনত ইসব নাথাকে
প্ৰণামো তাহান পাৱ॥
জয় যদুপতি গোপাল গোবিন্দ
যাদৱ মাধৱ ৰাম।
ভকতৰ ধন জীৱৰ জীৱন
কৰোহোঁ পাৱে প্ৰণাম॥

নমো নিত্যানন্দ জগত্ত কাৰণ
বাসুদেৱ ভগৱন্ত।
নিত্য শুদ্ধ বুদ্ধ কাম অনিৰুদ্ধ
পুৰুষ প্ৰভু অনন্ত॥
ৰাম নিৰঞ্জন দানৱ গঞ্জন
ভকত ৰঞ্জন দেৱ।
তুমিসি পৰম গুৰু নাৰায়ণ
তুৱা পাৱে কৰো সেৱ॥

প্ৰাৰ্থনা।

কোটি কোটি ঘোৰ অপৰাধ নিতে
কৰো আমি দুৰাশয়।
হে হৰি মোক দাস হেন মানি
ক্ষমিয়োক কৃপাময়।
অনাদি অনন্ত অচিন্ত্য ঈশ্বৰ
তুমিসে নিত্য নিৰ্ম্মল।
গুচায়ো কুমতি ভজোহো কেৱল
তোমাৰ পদ কমল॥
হে ভগৱন্ত ভজোহো তোমাৰ
অভয় পদ-কমলে।
মই অনাথক ৰাখিয়ো ঈশ্বৰ
অৰুণ চৰণ তলে॥

হে কৃষ্ণ কৃপা- ময় প্রভু মোক
করা কৃপা এহিমান।
তোমার চরণে যহোক আমার
সদায়ে নির্ম্মল জ্ঞান॥
জয় জগবন্ধু জগত কারণ
নারায়ণ নিরাকার।
কেয়লে তোমার চরণ পঙ্কজে
যহোক মন আমার॥

নিবেদন।

কতনো অমোঘ অপরাধ হরি
করিয়া আছো প্রচুর।
বুদ্ধিত থাকিয়া নেদেহা সুবুদ্ধি
কৃপার হয়া ঠাকুর।
যিহেতু তোমার চরণ পঙ্কজে
নভজিলো নারায়ণ।
সিহেতু অনাদি অবিদ্যা আমার
করিল জ্ঞান উচ্ছন॥
তুমি নিজ পিতৃ গুরু ইষ্টদের
নভজো তোমার পারে।
এহি দোষে মোক যম দূতে ধরি
যাতনা দুঃখ ভুজারে॥

তুমি প্ৰিয় আত্মা পৰম দেৱতা
তোমাত হৈলো বিমুখ।
এতেকে তোমাৰ মায়ায়ে আমাক
দিলেক সংসাৰ দুঃখ॥

কাকুতি।

কিমতে ভকতি কৰিবো তোমাত হৰি এ,
মই মূঢ়মতি নজানো তাৰ উপায় ৰাম ৰাম।
মহা বলৱন্ত দুৰ্ব্বাসনা ঘোৰ হৰি এ,
আমাৰ মনক ভেজিয়া দূৰ নযাই ৰাম ৰাম॥
তোমাৰ মায়ায়ে মন মুহি আছে হৰি এ,
অজ্ঞান আন্ধাৰে পৰিয়া পাৰ নপাওঁ ৰাম ৰাম।
অভয় চৰণে শৰণ পশিলো হৰি এ,
তুৱা গুণ নাম ভকতি প্ৰদীপ চাওঁ ৰাম ৰাম॥
ভকতি মিনতি প্ৰণতি নজানো হৰি এ,
মোত পৰে জ্ঞানশূন্য হীনমতি নাই ৰাম ৰাম।
তুমি প্ৰভু কৃপা ৰসেৰ সাগৰ হৰি এ,
দিয়ো মোক তুৱা পদ ছাঁয়া তলে ঠাই ৰাম ৰাম॥
হৰি এ করুণাসিন্ধু জীৱন বন্ধু,
গতিমতি তুমি নাৰায়ণ।
তুৱা গুণ নাম ভকতৰ মহাধন॥

পতিত বুলিয়া মোক হৰি হৰি এ ৰাম,
তেজিতে নপাৰা নাৰায়ণ।
পৰম করুণা গুণে হৰি হৰি এ ৰাম,
নাম ধৰিছা পতিতপাৱন॥
দয়াৰ ঠাকুৰ হুয়া দয়া কেনে নকৰয়।
ৰাম কৃষ্ণ নাৰায়ণ দীন দয়াময়॥
মোকে কৃপা কৰা হৰি এ,
দান্তে ধৰো তৃণ, মাথে ধৰো তৃণ।
তুমি কৃপাময়ক নজানো এতদিন॥
মোকে কৃপা কৰা এ,
ঐ বন্ধু ৰাম, প্ৰাণবন্ধু ৰাম,
নেড়োক মুখে ৰাম কৃষ্ণ নাম, মোকে কৃপা কৰা
পতিতপাৱন বুলি নাৰায়ণ এ,
পৰম পতিতে ডাকে আতুৰ হুয়া।
তযু বেদবাণী আমি আছো শুনি এ,
মহা মহা পাপী তৰে তযু নাম লৈয়া॥
তুৱা গুণ নাম অমৃত আশায় এ,
তোমাৰ চৰণে বিকা গৈলো মূঢ়মতি।
চৰণত ধৰো কাতৰ কৰো এ,
মই অনাথক নছাড়িবা যদুপতি॥
তোমাৰ সেৱক ভৈলো নাৰায়ণ এ,
নিশ্চয়ে তোমাৰ দিবাক লাগে প্ৰসাদ।

নিজ ভৃত্য কৰি লৈয়ো গোপীনাথ এ,
তথু কৃপাময় মিলয় কোন প্ৰমাদ ॥
হে দয়াশীল দেৱ দামোদৰ এ,
তোমাৰ চৰণে বোলোহোঁ কাকুতি বাণী।
মোক নিজ দাস কৰি লৈলে হৰি এ,
কহিয়ো কৃপাল তোমাৰ কি হয় হানি ॥
পৰম কৃপালু হুয়া যদুপতি এ,
কোন অপৰাধে মোক ভৃত্য পৰিহৰা।
শাস্ত্ৰতো প্ৰসিদ্ধ অজ্ঞানতো হৰি এ,
যিটো নাম লৱে তাকে মোৰ বুলি ধৰা ॥
জ্ঞানশূন্য আতি পশু-পক্ষী জাতি এ,
তাকো অনুগ্ৰহ কৰি আছা কৃপাময়।
আকে জানি হৰি শৰণে পশিলো এ,
আমাক তোমাৰ তেজিতে উচিত নয় ॥
তোমাৰেসে·নিজ ভৃত্য ভৈলো হৰি এ,
কৃপাৰ সাগৰ তুমি মোৰ নিজ স্বামী।
মই অনাথক নৰক্ষিবা হৰি এ,
তথু সেৱা-ৰস আশা কৰি আছো আমি ॥
বেদৰ গুপুত বিস্তু নাৰায়ণ এ,
দৈৱকীত হস্তে সাক্ষাতে ভৈলা বিদিত।
জীৱৰ তাৰণ হেতু নাৰায়ণ এ,
প্ৰচাৰিলা নিজ যশ ধৰ্ম্ম বিপৰীত ॥

ভকতৰ বশ্য হইয়াৰ শঙ্কায় এ,
যোনো যোক তুমি দাস পৰিহৰা হৰি।
ইটো শঙ্কা হৰি দূৰন্তে তেজিয়া এ,
লৈয়োক তোমাৰ ভৃত্যৰ অধীন কৰি।
তোমাৰ গুণৰ মহিমা দেখিয়া এ,
আন যত কাম দূৰন্তে তেজিয়া থৈলো।
তযু পদসেৱা ৰসক আশায় এ,
তোমাৰ একান্ত ভৃত্যৰ কিঙ্কৰ ভৈলো॥
সহজ কৃপালু গুণক প্ৰকাশি এ,
ধৰি আছা হৰি ভকতবৎসল নাম।
ধেনু যেনমতে বৎসক পালয় এ,
তুমি সেহিমতে ভকতক পালা ৰাম॥
আমি যত জীৱ তোমাৰ পালন, হৰি হৰি হৰি হৰি এ,
তুমিসে পালিয়া ফুৰা হুয়া অন্তৰ্য্যামী।
আৰে যেবে নিজ ভৃত্য বুলি পালা,
হৰি হৰি হৰি হৰি এ,
তেবেসে কৃপাল কৃত্যকৃত্য হওঁ আমি।
তুমি যাক পালা সিয়ো জন আমি,
হৰি হৰি হৰি হৰি এ,
সংসাৰ নিকাৰ ভুঞ্জিয়া ফুৰো বহুত।
তোমাৰ অধীন হুয়া কেনে আমি,
হৰি হৰি হৰি হৰি এ,
ভৈলোহোঁ স্বতন্ত্ৰ ইটো কিনো অদভুত॥

তোমাক পৰম ঈশ্বৰ নমানি,
হাৰ হৰি হৰি হৰি এ,
মহা অহঙ্কাৰে দ্ৰোহ আচৰিলো আমি।
আৰে তযু পদে শৰণ পশিলো,
হৰি হৰি হৰি হৰি এ,
মই দ্ৰোহীয়াৰ দোষ ক্ষমা কৰা স্বামী॥
দাস হয়া তযু সেৱা নকৰিলো,
হৰি হৰি হৰি হৰি এ,
ইটো ঘোৰ অপৰাধৰ চিকিৎসা নাই।
তুমি পুনু প্ৰভু সহজ কৃপালু,
হৰি হৰি হৰি হৰি এ,
শৰণ পশিলো ক্ষমিবে প্ৰভু মুৰাই॥
মই অজ্ঞানীৰ যতেক অজ্ঞান,
হৰি হৰি হৰি হৰি এ,
কথা কহি কোনে সীমা কৰিবেক তাক।
ইটো মোৰ ঘোৰ দোষ পৰিহৰি,
হৰি হৰি হৰি হৰি এ,
কৃপাময় কৃষ্ণ চৰণে ৰাখা আমাক॥
প্ৰিয়তম আত্মা ঈশ্বৰ দেৱতা,
হৰি হৰি হৰি হৰি এ,
কৃষ্ণেসে সুহৃদ বান্ধৱ গুৰু আমাৰ।
কৃষ্ণৰ চৰণ পঙ্কজ বিনাই,
হৰি হৰি হৰি হৰি এ,
মই অনাথৰ গতি নাহি নাহি আৰ॥

বস্তু প্ৰকাশ।

হৰি নাম ৰসে বৈকুণ্ঠ প্ৰকাশে
প্ৰেম অমৃতৰ নদী।
শ্ৰীমন্ত শঙ্কৰে পাৰ ভাঙ্গি দিলে
বহে ব্ৰহ্মাণ্ডক ভেদি॥
গোবিন্দৰ প্ৰেম অমৃতৰ নদী
বহে বৈকুণ্ঠৰ পৰা।
চাৰি পুৰুষাৰ্থ তাহাৰ নিজৰা
হৰি নামে মূল ধাৰা॥
হৰিভক্তি দান দিয়া জগতক
তাৰিলা সংসাৰ-সিন্ধু।
হেনয় কৃপালু শঙ্কৰ বিনাই
নাহি নাহি আৰ বন্ধু॥
হৰি ভকতিৰ পাতিলন্ত হাট
শঙ্কৰে জগত জুৰি।
ৰাম নাম বস্তু বেসায়া জগতে
চলয় বৈকুণ্ঠপুৰি॥
শ্ৰীমন্ত শঙ্কৰ হৰি ভকতৰ
জানা যেন কল্পতৰু।
তাহান্ত বিনাই নাই নাই নাই
আমাৰ পৰম গুৰু॥

কৃপা।

করুণাময় রাম করুণাময়।
করিয়ো কৃপা যেন উচিত হয়।
তুমি সে রাম কৃপারসের নিধি
তোমার কৃপা বিনে নাহিকে সিদ্ধি॥
তোমার কৃপাকেসে করিছো আশ।
অরুণ পদতলে দিয়োক বাস॥
সহজে তুমি রাম করুণাসিন্ধু।
তোমাত বিনে আন নাহিকে বন্ধু॥
তোমার কৃপালেশে আমার গতি।
কহয় মাধব মূরুখমতি॥

টোটয়।

মধুদানবদারণ-দেববরং। বরবারিজলোচন-চক্রধরং॥
রণী-ধরধারণধ্যেয়পরং। পরমার্থবিদ্যাশুভনাশকরং॥
রচূর্ণিতচেদিপভূবিভগং। ভগভূষণকার্চ্চিতপাদযুগং॥
গনায়কনাগবরেশরুচিং। রুচিরাংশুপিধানশরীরশুচিং॥
চিচামরবায়ুনিসেব্যতনুং। তনুমধ্যগদেহসুবেশহনুং॥
সুমন্তহরীশসহায়রতং। রতরাঙ্গপরায়ণশক্রনতং॥
তবর্ত্তুলস্থূলসুদীর্ঘভুজং। ভুজগাধিপতল্পশয়ানমজং॥

অজৰামৰবিগ্ৰহবিশ্বগুৰুং। গুৰু-গোধন-কামদকল্পতৰুং ॥
তৰুণীমনমোহনসৰ্ব্বগুভং। শুভমঙ্গলদায়কনীলনিভং ॥
ইভকুম্ভজমৌক্তিকমাল্যবহং। বহলোৰসমিষ্টপসৰ্ব্বসহং ॥
সহজায়তিপদ্মদলাক্ষচিদং। চিদানন্দবিনোদনবেদবিদং ॥
বিহৃষাম্মন-মণ্ডপ-কম্বুগলং। গলশোভিতকৌস্তুভভীমবলং ॥
বলভদ্ৰসহোদৰসত্যবপুং। বৈপুনিৰ্দ্দিতবিশ্বসুৰাৰিৰিপুং ॥
ৰিপুযূথপযূথপদৰ্পহৰং। হৰমৌলিনিঘৃষ্টপদাজ্জপৰং ॥
পৰলোকসহায়সহস্ৰমুখং। মুখৰালিকুলাকুলমাল্য সুখং ॥
সুখমোক্ষদদক্ষৰমাৰমণং। মনসোপৰিমেয়সহস্ৰফলং ॥
ফলতোস্মিনতোস্মিনতোস্মিহৰিং। হৰিবৈৰিহুতাশনভোগ্যহৰিং ॥
হৰিকিঙ্কৰ-শঙ্কৰ ঈশপদে। পদমিচ্ছতিগায়তিচামৃতদে ॥

শ্ৰীকৃষ্ণ-শতনাম।

মাধৱে বোলন্ত কহোঁ স্বৰূপ তোমাত।
মই নাপাওঁ অন্ত মোৰ নাম অসংখ্যাত ॥
অল্পে সাধে গতি বিস্তৰত কোন কাম।
জগত নিস্তাৰে মোৰ এঁকো একো নাম ॥
লোকত প্ৰসিদ্ধ যিটো মোৰ নামচয়।
দেওঁ তাৰ লেখ শুনা সখি ধনঞ্জয় ॥
শ্ৰীকৃষ্ণ, শঙ্কৰ, সদাশিৱ, সনাতন।
পীতাম্বৰধাৰী, বিষ্ণু, জিষ্ণু, জনাৰ্দ্দন ॥

গোবর্দ্ধনধারী, মধুমথন, ঈশ্বর।
বেণুবাদ্যবিশারদ, দেব গদাধর॥
যশোদানন্দন, নন্দগোপর কুমার।
কেশব, কমলানাথ, প্রমথ সংহার॥
ভাস্কর, পুণ্ডরীকাক্ষ, বিভু, বিশ্বম্ভর।
অনিরুদ্ধ, সত্যসন্ধ, শুদ্ধ, ধরাধর॥
দৈবকীনন্দন, হরি, নিষ্কিঞ্চন ধন।
বৈকুণ্ঠ কমলাকান্ত, নাথ, নারায়ণ॥
জগত পবিত্র, পারিজাত উপহারী।
বিশ্বমূর্ত্তি, রামচন্দ্র, কামদ, কংসারি॥
অনন্ত, অচ্যুত, অঘাসুরবিমোচক।
কিরীটি-কুণ্ডলধারী, ত্রিপুর অন্তক॥
শ্রীপতি, পরম আত্মা, পুরুষ উত্তম।
ত্রৈলোক্যতারক, ত্রিনয়ন, ত্রিবিক্রম॥
রুক্মিণী-রমণ, জ্ঞান, যজ্ঞেশ্বর, গুরু।
সত্যভামা-বল্লভ, ভকত কল্পতরু॥
চিদানন্দ, সদানন্দ, দৈবকীনন্দন।
পূতনাজীবনহারী, বিরিঞ্চি-বন্দন॥
গোবিন্দ, গরুড়ধ্বজ, অজন, যাদব।
মধুমুর-রিপু রাম, প্রিয়দ, মাধব॥
যোগীধ্যানপ্রদ, বলভদ্র প্রিয়ানুজ।
চারু ঘনশ্যাম, চক্রপাণি, চতুর্ভুজ॥

দানবগঞ্জন, নিরাকার, নিরঞ্জন।
হৃষীকেশ, শিব, শৌরি, শকটভঞ্জন॥
সর্ব্বদেবময়, মহামৃত্যু, অন্তকারী।
বৃষভবিধ্বংসী রিপু, বামন, বকারি॥
সুরবৃক্ষ, ব্রহ্ম, বাসুদেব, বিশ্বেশ্বর।
কালীয়মর্দ্দন, দেব দেব দামোদর॥
জগতব্যাপক, পুণ্যজনক চরিত্র।
জগতজনক, জগন্নাথ, জিতামৃত॥
গোবিন্দ, আনন্দসিন্ধু, উপেন্দ্র, গোপাল।
জীবের জীবন, বনমালী মহাকাল॥
ভকতবৎসল, ক্লেশ-কলুষ-মোচন।
শ্রীবৎসলাঞ্ছন, কৃষ্ণ, কমললোচন॥
পুরাণ পুরুষ, পুণ্য, শ্রবণ-কীর্ত্তন।
দুরন্ত, দয়ালু, দেব দারিদ্র্যভঞ্জন॥
পদ্মনাভ, শম্ভু, বিভু, প্রভু, ভগবন্ত।
কতেক কহিবো মোর নাম অপর্য্যন্ত॥
একো একো নাম মোর জগত উদ্ধার।
স্মরণতে করে পাপ সমূহ সংহার॥
যেনমতে সিংহসবে গর্জ্জে মহাবেগে।
কোন ক্ষুদ্র মাতঙ্গ শতেক তার আগে॥
মোর নাম জানা সখি বাড়ব-অগনি।
পাতক শুকান বন লাগে তাত চলি॥

হও অনুকূল মই প্রচণ্ড বতাস।
তিলেক নলাগে দহি করো সর্ব্বনাশ॥
কৃষ্ণর কিঙ্করে কহে এড়া আন কাম।
কৃষ্ণ শত-নাম স্মরি বোলা রাম রাম॥

অষ্টোত্তর শতনাম।

জয় জয় গোবিন্দ গোপাল গদাধর।
কৃষ্ণচন্দ্র দয়া করা করুণাসাগর॥
জয় রাধা গোবিন্দ গোপাল বনমালী।
শ্রীরাধার প্রাণধন মুকুন্দ মুরারি॥
হরি নাম বিনেরে গোবিন্দ নাম বিনে।
বিফলে মনুষ্য জন্ম যায় দিনে দিনে॥
দিন গৈল মিছা কার্য্যে রাত্রি গৈল নিদ্রে।
নভজিলো রাধা-কৃষ্ণ চরণারবিন্দে॥
কৃষ্ণ ভজিবার হেতু সংসারে আসিলো।
মিছা মায়ায় বদ্ধ হয়া বৃক্ষ সম হৈলো॥
ফলরূপে পুত্র-কন্যা ডাল ভাগি পরে।
কালরূপে সংসারত পক্ষী বাসা করে॥
যেতিয়া জন্মিল কৃষ্ণ দৈবকী উদরে।
মথুরাত দেৱগণে পুষ্পবৃষ্টি করে॥

বসুদেৱে থৈল নিয়া নন্দৰ মন্দিৰে।
নন্দৰ আলয়ে কৃষ্ণ দিনে দিনে বাঢ়ে॥
শ্ৰীনন্দ ৰাখিল নাম নন্দৰ নন্দন।
যশোদা ৰাখিল নাম বাছা যাদুধন॥
উপানন্দ নাম ৰাখে সুন্দৰ গোপাল।
ব্ৰজবালক নাম ৰাখে ঠাকুৰ ৰাখাল॥
সুবলে ৰাখিলা নাম ঠাকুৰ কানাই।
শ্ৰীদামে ৰাখিলা নাম ৰাখালৰাজা ভাই॥
ননীচোৰা নাম ৰাখে যতেক গোপিনী।
কালসোণা নাম ৰাখে ৰাধা বিনোদিনী॥
কুবুজা ৰাখিল নাম জগতৰ হৰি।
চন্দ্ৰাৱলী নাম ৰাখে বেণুবাদ্যকাৰী।
অনন্ত ৰাখিল নাম অন্ত নপাইয়া।
কৃষ্ণ নাম ৰাখে গৰ্গে ধ্যানত জানিয়া॥
কণ্ব মুনি নাম ৰাখে দেৱচক্ৰপাণি।
বনমালী নাম ৰাখে বনৰ হৰিণী॥
গজহস্তী নাম ৰাখে শ্ৰীমধুসূদন।
অজামিলে নাম ৰাখে দেৱ নাৰায়ণ॥
পুৰন্দৰে নাম ৰাখে দেৱ শ্ৰীগোবিন্দ।
দ্ৰৌপদী ৰাখিলা নাম দেৱ দীনবন্ধু॥
সুদামে ৰাখিল নাম দাৰিদ্ৰ্যভঞ্জন।
ব্ৰজবাসী নাম ৰাখে ব্ৰজৰ জীৱন॥

দর্পহারী নাম রাখে অর্জুন সুধীর।
পশুপতি নাম রাখে গরুড় মহাবীর॥
যুধিষ্ঠিরে নাম রাখে দেব যদুবর
বিদুরে রাখিলা নাম কাঙ্গাল ঠাকুর॥
বাসুকী রাখিলা নাম দেব সৃষ্টি-স্থিতি।
ধ্রুবলোকে নাম রাখে ধ্রুবর সারথি॥
নারদে রাখিলা নাম ভক্ত প্রাণধন।
ভীষ্মদেবে নাম রাখে লক্ষ্য নারায়ণ॥
সত্যভামা নাম রাখে সত্যর সারথি।
জাম্ববতী নাম রাখে দেব যোদ্ধাপতি॥
বিশ্বামিত্রে নাম রাখে সংসারর সার।
অহল্যা রাখিলা নাম পাষাণ উদ্ধার॥
ভৃগুমুনি নাম রাখে জগতর হরি।
পঞ্চমুখে রাম নাম গায় ত্রিপুরারি॥
কুব্জকেশী নাম রাখে বলি সদাচারী।
প্রহ্লাদে রাখিলা নাম নৃসিংহ মুরারি॥
দৈত্যারি দ্বারিকানাথ দারিদ্র্যভঞ্জন।
দয়াময় দ্রৌপদীর লজ্জা নিবারণ॥
স্বরূপে সবারো হয় গোলোকত স্থিতি।
বৈকুণ্ঠে ক্ষীরোদশায়ী কমলার পতি॥
রসময় রসিক নাগর অনুপাম।
নিকুঞ্জবিহারী হরি নব ঘনশ্যাম॥

শালগ্ৰাম দামোদৰ শ্ৰীপতি শ্ৰীধৰ।
ত্ৰৈলোক্য তাৰকনাথ ব্ৰহ্ম সনাতন॥
কল্পতৰু কমললোচন হৃষীকেশ।
পতিতপাৱন গুৰু জ্ঞান উপদেশ॥
চিন্তামণি চতুৰ্ভুজ দেৱ চক্ৰপাণি।
দীনবন্ধু দৈৱকীনন্দন যদুমণি॥
অনন্ত কৃষ্ণৰ নাম অনন্ত মহিমা।
নাৰদাদি ব্যাসদেৱে যাৰ নপাই সীমা॥
নাম ভজা নাম চিন্তা নাম কৰা সাৰ।
অনন্ত কৃষ্ণৰ নাম মহিমা অপাৰ॥
শতভাৰ সুবৰ্ণ গো কোটি কন্যা দান।
তথাপিতো নোহে কৃষ্ণ নামৰ সমান॥
যেই নাম সেই কৃষ্ণ ভজা নিষ্ঠ কৰি।
নামৰ সহিত থাকে আপুনি শ্ৰীহৰি॥
শুনা শুনা হেৰা ভাই নামৰ কীৰ্ত্তন।
যি নাম স্মৰণে হয় পাপ বিমোচন॥
কৃষ্ণ নাম সত্য ভাই আন সবে মিছা।
পলাইবাৰ পথ নাহি যম আছে পিছা॥
কৃষ্ণ নাম হৰি নাম অতি সুমধুৰ।
যি জনে কৃষ্ণক ভজে সেহিসে চতুৰ॥
ব্ৰহ্মা আদি দেৱে যাক ধ্যানে নাহি পায়।
সি হৰি বঞ্চিত হৈলে কি হৈবে উপায়॥

হিরণ্যকশিপু কৈলা হৃদি বিদারণ।
প্রহ্লাদক রক্ষা কৈলা দেব নারায়ণ॥
বলিক ছলিবে হরি হৈলাহা বামন।
দুর্ব্বাসার সাপে কৈলা পাণ্ডব রক্ষণ॥
অষ্টোত্তর শত নাম যি করে পঠন।
অনায়াসে পায় সিটো কৃষ্ণর চরণ॥
ভক্তবাঞ্ছা পূর্ণ করা শ্রীনন্দ নন্দন।
মথুরাত কংস ধ্বংস লঙ্কাত রাবণ॥
বকাসুর বধ আদি কালীয় দমন।
হরি হরি বোলা সবে করি এক মন॥

গোপী শতনাম।

অনেক সহস্র গোপী রূপে অনুপাম।
শুনা তাসম্বার মুখ্য মুখ্য কিছু নাম॥
ইন্দুমতী, মদনমঞ্জরী, রত্নমালা।
পদ্মাবতী, কুন্তী, কুমুদিনী, চন্দ্রকলা॥
রোহিণী, হরিণী, স্বয়ম্বরী, বিদ্যাধরী।
মাধবী, রাধিকা, মধুমতী, মন্দোদরী॥
ভাগ্যবতী, ভগবতী, গৌরী, রতি, রামা।
বসুমতী, সতী, লীলাবতী, তিলোত্তমা॥

শচী, রুচি, চম্পকলতিকা, কামপাশা।
কাদম্বিনী, মদনদমনী, মদালসা॥
সুরতী, সুরসা, রম্ভা, ঊষা, সরস্বতী।
ভবানী, ভূষিতা, ভূমি, রন্তা, প্রভাবতী॥
কুমুদা, কামদা, মন্দাকিনী, যুগন্ধরী।
বিবুধা, মুগ্ধা, মেধা, ধন্যা, বসুন্ধরী॥
অখিরজা, বিরজা, রজনী, রসবামা।
কমললোচনী, চন্দ্রকচী, শচী, শ্যামা॥
সুপ্রভা, সুভগা, সৌভাগিনী, শুভকলা।
ভূষণা, ভীষণা, ভাস্তী, ভারতী, উৎপলা॥
ইন্দিরা, মন্দিরা, হীরা, তপতী, তরুণী।
কামিনী, ভামিনী, ভদ্রা, ভূষণা, ভবানী॥
সুপ্রভা, সুরতী, ভাগীরথী, ভানুমতী।
কিঙ্কিণী, মালিনী, সুমালিনী, লীলাবতী॥
ইসব প্রমুখ্যে গোপী যুবতী যতেক।
কৃষ্ণক আবরি রঙ্গে ক্রীড়িলা অনেক॥
কৃষ্ণর কিঙ্করে কহে শঙ্করে সম্প্রতি।
বোলা হরি হরি পাপ যাওক অধোগতি॥

নাৰায়ণ কৱচ।

শুকনিগদতি শুনা সুভদ্ৰাৰ নাতি।
বিশ্বৰূপে এহি অঙ্গীকাৰ কৰি আতি॥
দেৱগণে বৰিলা তৈলন্ত পুৰোহিত।
কৰিলন্ত কাৰ্য্য যত গুৰুৰ বিহিত॥
অসুৰক ৰক্ষা কৰে শুক্ৰৰ বিদ্যাই।
তাক নষ্ট কৰিবাক দিলন্ত উপায়॥
নাৰায়ণ কৱচ দিলন্ত বাসৱক।
যাক পায়া ইন্দ্ৰে সৱে জিনিলা দৈত্যক॥
পুনু ত্ৰৈলোক্যৰ লক্ষ্মী পায়া সুৰপতি।
কৃষ্ণৰ প্ৰসাদে সবে তৰিলা বিপত্তি॥
হেন শুনি পৰীক্ষিতে পুছন্ত শুকত।
কহিয়ো বান্ধৱ গুৰু মহা ভাগৱত॥
তুমি বিনে মোৰ প্ৰাণ বন্ধু নাহি আন।
কৰায়োক মোক কৃষ্ণ কথা মধু পান॥
হৰি কথা ৰসে মোৰ নিমজিল চিত্ত।
মৰাৰ মুখত যেন ঢালিলা অমৃত॥
নাৰায়ণ কৱচক পায়া শচীপতি।
লীলায়ে দৈত্যক জিনি সাধিলা জয়তি॥
সেহি কৱচৰ কথা মোত কহিয়োক।
চৰণে শৰণ লৈলো উদ্ধাৰিয়ো মোক॥

ৰাজাৰ বচনে শুক ভৈলা আনন্দিত।
হাঁসিয়া বোলন্ত শুনা ৰাজা পৰীক্ষিত॥
পুৰোহিত হুয়া বিশ্বৰূপ মহামতি।
সাৱধানে পুছে হেন বাসৱক প্ৰতি॥
নাৰায়ণ কৱচ কহিলা সাৱহিতে।
তাক এবে কহোঁ ৰাজা শুনা একচিত্তে॥
বিশ্বৰূপ বদতি শুনিয়ো হৰিহয়।
যদি অকস্মাত আসি মিলে মহা ভয়॥
হস্তপদ প্ৰক্ষালিয়া উত্তৰ মুখে।
কুশহস্তে আচমন কৰি মহাসুখে॥
মূলমন্ত্ৰে অঙ্গন্যাস কৰন্যাস কৰি।
শুচি সংযমন হুয়া মাধৱক স্মৰি॥
নাৰায়ণ কৱচক কৰিবে ধাৰণ।
অনায়াসে হৈব ঘোৰ ভয় নিবাৰণ॥
পদ জানু উৰুযুগ উদৰ হৃদিত।
উৰঃস্থলে মুখে শিৰে যথাক্ৰমোদিত॥
প্ৰণৱাদি অষ্টাক্ষৰ মন্ত্ৰ মহা ৰঙ্গে।
ন্যাস কৰিবেক জানা সেহিসব অঙ্গে॥
দ্বাদশ অক্ষৰ মন্ত্ৰ তাত অনন্তৰ।
ন্যাসিবেক অঙ্গুলিৰ পূৰ্ব্বে নিৰন্তৰ॥
হৃদি শিৰ কৰ মধ্যে শিখাত নেত্ৰত।
শৰীৰৰ সন্ধিস্থানে এহি ক্ৰম মত॥

ষড়ক্ষৰ মন্ত্ৰন্যাস কৰি শুদ্ধমন।
মকাৰ অক্ষৰে কৰিবেক দিগ্বন্ধন॥
আপোনাক ঈশ্বৰ স্বৰূপে ধ্যান কৰি।
এহি মন্ত্ৰ উচ্চাৰিব মাধৱক স্মৰি॥
মোৰ সৰ্ব্ব ৰক্ষা কৰন্তোক দেৱ হৰি।
গৰুড়পৃষ্ঠত পাদপদ্ম যুগ ধৰি॥
খড়্গ, চৰ্ম্ম, শঙ্খ, গদা, বাণ আৰু পাশ।
ধনু ধৰি অষ্টভুজ জগত-নিবাস॥
জলে জলজন্তু বৰুণৰ পাশ হন্তে।
মোক ৰাখন্তোক মৎস্যৰূপী ভগৱন্তে॥
স্থলে ৰাখন্তোক ত্ৰিবিক্ৰম যে বামন।
আকাশত বিশ্বৰূপে কৰোক ৰক্ষণ॥
দুৰ্গম দাৰুণ বন সঙ্কট সংগ্ৰামে।
মোক ৰক্ষা কৰন্তোক নৰসিংহ নামে॥
ৰাখন্তোক যজ্ঞৰূপী বৰাহে পথত।
যিটো উদ্ধাৰিলা ভূমি প্ৰলয় জলত॥
পৰশুৰামে ৰাখন্তোক গিৰি শিখৰত।
শ্ৰীৰাম লক্ষ্মণে ৰাখন্তোক প্ৰবাসত॥
অভিচাৰ মন্ত্ৰ যত আনো প্ৰমাদত।
নাৰায়ণে তাত মোক ৰাখন্তো সতত॥
সৰ্ব্বত্ৰ ৰাখন্তো মোক নৰ কৃপাময়।
যোগভ্ৰষ্ট হন্তে ৰাখন্তোক দত্তাত্ৰেয়॥

কপিলে ৰাখন্তো মোক কৰ্ম্ম বন্ধনত।
সনতকুমাৰে মোক ৰাখন্তো কামত॥
দেৱ হেলনত ৰাখন্তোক হয়গ্ৰীৱ।
কৃষ্ণ পূজা ছিদ্ৰত নাৰদ সদাশিৱ॥
নৰকত হন্তে ৰাখন্তোক কূৰ্ম্মহৰি।
অপথ্য ভোজনে ৰাখন্তোক ধন্বন্তৰী॥
ক্ষুধা-তৃষ্ণা, লোভ-মোহ, শীত-উষ্ণ যত।
সবভ ঈশ্বৰে মোক ৰাখন্তো সতত॥
যজ্ঞে ৰাখন্তোক মোক লোক কলঙ্কত।
বলভদ্ৰে ৰাখন্তোক ছূৰ্ঘট কালত॥
অনন্তে ৰাখন্তো মোক সৰ্পৰ বিষত।
ভগৱন্ত ব্যাসে ৰাখন্তোক অজ্ঞানত॥
বুদ্ধে ৰাখন্তোক পাষণ্ডৰ বিবাদত।
কল্কী ৰাখন্তোক কলিমল পাতকত॥
প্ৰভাতত গদা ধৰি ৰাখন্তো কেশৱে।
বেণু ধৰি গোবিন্দে ৰাখন্তো আসঙ্গৱে॥
পূৰ্ব্বাহ্নে ৰাখন্তো শক্তি ধৰি নাৰায়ণে।
চক্ৰ ধৰি বিষ্ণুৱে ৰাখন্তো মধ্য দিনে॥
অপৰাহ্নে মধুৰিপু ধৰি উগ্ৰ ধনু।
সায়াহ্নে মাধৱে মোক ৰাখন্তোক পুনু॥
সন্ধ্যাকালে হৃষীকেশ ৰাখন্তোক মোক।
অৰ্দ্ধৰাত্ৰি কালে পদ্মনাভে ৰাখন্তোক॥

পাছ বাত্ৰি ৰাখস্তোক শ্ৰীবৎসলাঞ্ছন
প্ৰত্যূষ কালত খড়্গ ধাৰি জনাৰ্দ্দন॥
উভয় সন্ধ্যাত ৰাখস্তোক দামোদৰে।
ভগৱন্ত কালমূৰ্ত্তি যিতো বিশ্বেশ্বৰে॥
প্ৰলয় অগনি সম চক্ৰ তীক্ষ্ণধাৰ।
মাধৱৰ আদেশে ভ্ৰমিয়ো নিৰন্তৰ॥
দহিয়ো দহিয়ো মোৰ শত্ৰু সেনা যত।
শুকান বনক বহ্নি দহে যেন মত॥
হে কৌমুদকী গদা মাধৱৰ প্ৰিয়া।
গোবিন্দৰ দাস ভৈলো কৰিয়োক দয়া॥
বজ্ৰতো অধিক দৃঢ় দেখি হোৱে ভীত।
যক্ষ ৰাক্ষসাদি যত কৰা চূৰ্ণীকৃত॥
হে পাঞ্চজন্য মাধৱৰ প্ৰিয়া শঙ্খ।
মোৰ শত্ৰুগণৰ লগায়ো হৃদিতঙ্ক॥
প্ৰেত পিশাচক ঘোৰ যক্ষ ৰাক্ষসক।
চণ্ডনাদ কৰি সবে খেদায়ো দূৰক॥
শুনিয়ো নন্দক খড়্গ বৰ তীক্ষ্ণধাৰ।
প্ৰভুৰ আদেশে শত্ৰু ছেদিয়ো আমাৰ॥
হে শতচন্দ্ৰ চৰ্ম্ম প্ৰিয় মাধৱৰ।
ঢাকিয়োক চক্ষুচয় শত্ৰু কটকৰ॥
গ্ৰহগণ কেতু হন্তে মিলে যিতো ভয়।
সৰ্প ব্যাঘ্ৰ ভূতাদিত যিবা ভয় হয়॥

শ্ৰীকৃষ্ণৰ নামৰূপ অস্ত্ৰৰ কীৰ্ত্তনে।
সবে বিঘ্ন নষ্ট মোৰ হৌক এতিক্ষণে॥
বেদময় গৰুড় কৃষ্ণৰ মুখ্য যান।
সমস্ত দুঃখত মোক কৰা পৰিত্ৰাণ॥
আপোনাৰ নামে বিষ্বক্‌সেন ভগৱন্তে।
ৰক্ষা কৰন্তোক মোক মহাদুঃখ হন্তে॥
মাধৱৰ নামৰূপ আয়ুধ বাহন।
পাৰিষদগণ আৰু যতেক বাহন॥
মোৰ প্ৰাণ বুদ্ধি মন ইন্দ্ৰিয়গণ যত।
ইসৱক ৰাখিয়োক সৰ্ব্ব আপদত॥
স্থূল সূক্ষ্ম প্ৰাণী যত আছে সংসাৰত।
ঈশ্বৰেসে দুই যেবে আছে স্বৰূপত॥
এহি সত্যে মোৰ যত উপদ্ৰৱ মানে।
সৱে নষ্ট হৌক কৃষ্ণ নাম সুমৰণে॥
যেবে স্বৰূপত এক নিৰ্ব্বিকল্প হৰি।
মায়ায়ে ভূষণ আদি ৰূপ আছে ধৰি॥
সেহি সত্যে সৰ্ব্বজ্ঞ ঈশ্বৰে সদা মোক।
সৰ্ব্বস্থানে সৰ্ব্বৰূপে ৰক্ষা কৰন্তোক॥
অৰ্দ্ধে-ঊৰ্দ্ধে দশোদিশে বাহ্য অভ্যন্তৰে।
পুন্থ নৰসিংহ নামে ৰাখা নিৰন্তৰে॥
যাৰ নাদে লোকৰ গুচাইলা সবে ভয়।
নিজ তেজে সবাহাৰ তেজ কৈলা ক্ষয়॥

বিশ্বৰূপ বদতি শুনিয়োঁ হৰিহৰ।
এহি দিব্য নাৰায়ণ কৱচ দুৰ্জ্জয় ॥
কহিলো তোমাত আক ধৰিয়োঁ হৰিষে।
জিনিবাহা অপ্ৰয়াসে দৈত্যক নিঃশেষে ॥
এহি কৱচক যিটো কৰিয়া ধাৰণ।
যাক যাক প্ৰতি কৰে চক্ষুৰে দৰ্শন ॥
চৰণে বা কদাচিত পৰশ কৰয়।
সিও জন জানা সবে ভয় মুক্ত হয় ॥
ৰাজভয় বৈৰীভয় গ্ৰহভয় যত।
আধিব্যাধি আদি যত আছে সংসাৰত ॥
কিছুৱে নপাৰে তাক জানিবা নিশ্চয়।
এহি মহা বিদ্যা যিটো হৃদয়ে ধৰয় ॥
পূৰ্ব্বে এক আছিল কৌশিক নামে ঋষি।
তেহেঁ মহাবিদ্যা ইটো ধৰিলা হৰিষি ॥
মৰুভূমি মাজে তেহোঁ প্ৰাণক ছাড়িলা।
বিদ্যাৰ প্ৰভাৱে পাছে মুকুতি লভিলা ॥
একদিনা চিত্ৰৰথ গন্ধৰ্ব্বৰ পতি।
অপেসৰা গণ সমে ৰথে কৰে গতি ॥
কৌশিকৰ অস্থিছয় যৈত আছে পৰি।
তাহাৰ উপৰে গৈলা দিব্য ৰথে চড়ি ॥
সেহি দোষে পুণ্যক্ষয় ভৈল সেহি কালে।
ৰথসমে অধোমুখে পৰিল নিঢালে ॥

পৃথিবীত পৰি দুঃখে কৰে হাঁহাঁকাৰ।
কোন দোষে হেনগতি ভৈলেক আমাৰ ॥
পাছে বালখিল্য ঋষি সকলে কহিলা।
বৈষ্ণৱৰ অস্থিৰ উপৰে তুমি গৈলা॥
আউৰ তযু ৰথ নচলিব স্বৰ্গপথ।
দেখা বৈষ্ণৱৰ কেনে তেজৰ সমৰ্থ॥
এবে হেন কৰা অস্থিচয় তুলি লোৱা।
সৰস্বতী জলে নিয়া আপুনি লগোৱা॥
তেবে সেহি পুণ্যে ইটো পাপ কৰি ক্ষয়।
এহি ৰথে চড়ি যাইবা স্বৰ্গৰ নিলয়॥
শুনি চিত্ৰৰথে বালখিল্যাৰ বচন।
শিৰে তুলি লৈলা বৈষ্ণৱৰ অস্থিগণ॥
ভক্তিভাৱে লগাই সৰস্বতীৰ জলত।
পৰম বিস্ময় তান মিলিল মনত॥
পাছে স্নান কৰি সেহি পৱিত্ৰ জলত।
স্বৰ্গে লৰি গৈলা চড়ি দিব্য বিমানত॥
শুক নিগদতি শুনা অভিমন্যু সুত।
নাৰায়ণ কৱচৰ মহিমা অদ্ভুত॥
যিটো ইটো কৱচক শুনে এক মন।
যদি বা আদৰ ভাৱে কৰয় ধাৰণ॥
তাহাঙ্ক সমস্তে প্ৰাণী কৰয় বন্দন।
সকলো ভয়ত সিটো হোৱয় মোচন॥

বিশ্বৰূপ ব্ৰাহ্মণৰ হস্তে মহাযত্তি।
এহি মহা বিদ্যাক জানিয়া সুৰপতি॥
অসুৰ সৱক জিনি ঘোৰ সমৰত।
ত্ৰৈলোক্যৰ লক্ষ্মীক ভুঞ্জিয়া অব্যাহত॥
ইটো কথা এহিমানে ভৈল সমাপতি।
মহেন্দ্ৰৰ আগে বিশ্বৰূপ নিগদতি॥
কৃষ্ণৰ কিঙ্কৰে কহে এৰা আন কাম।
পাতক ছাড়োক ডাকি বোলা ৰাম ৰাম॥

ভাটৰ ভটিমা।

পৰি পুত্ৰ ভাট চপয় কহে বাণী।
কৃষ্ণক আগে ৰূপ গুণক বখানি॥
জয় যদুনন্দন দেৱক দেৱা।
তোহাৰি চৰণে কৰোহো বহু সেৱা॥
তোহাৰ মহিমা কহতু নাহি অন্ত।
পূৰল পৰল কীৰিত্তি দিগন্ত॥
তোহোৰ সম পুৰুষ কহিতু নাহি পাই।
বোলো অব বছনক শুনহ গোসাই॥
হামাকু কুণ্ডিল নগৰী অনুপাম।
আছে কন্যা এক ৰুকমিণী নাম॥

ভীষ্মক রাজ নন্দিনী বরবালা।
বাঢ়য় নব্র যেন চান্দক কলা॥
কি কহব রমণীক রূপ প্রচুর।
বদনক হেরি চান্দ ভেল দূর॥
নয়নক পেখি পারত বড়ি লাজ।
করল ঝাম্প কমল জল মাঝ॥
বন্দুলি অধিক অধর করকান্তি।
ওতিম মোতিম দশনক পান্তি॥
সুবলিত ভুজযুগ রতন মোলান।
উরু করী কর কটি ডম্বরুক ঠান॥
নব পল্লবরুচি পদযুগ সোহে।
পেখিয়ে সুর নর মুনি মন মোহে॥
বাণী অমিয়া রসগুণে নোহে হীন।
রাজকুমারীক বয়স নবীন॥
কতনো রতনে বিধি কয় নিরমাণ।
সোহি কন্যা হয় প্রভু তোহারি সমান॥
কহলো স্বরূপ অব বচন বিচারি।
হোরয় গৃহিণী যবে রুকমিণী নারী॥
তব গৃহবাস সাফল হয় নাথ।
কহলো ভাটে উপরক তুলি হাত॥
কৃষ্ণর কিঙ্করে ওহি শঙ্করে বোল।
কর অব নরসব হরি হরি বোল॥

শুন শুন রুকমিণী মাই। হরি গুণ কহব সবাই ॥
মুখ ইন্দু-কোটি পরকাশ। দশন মোতিম মন্দ হাঁস ॥
নয়ন পঙ্কজ নবপাতা। করতল উতপলপাতা ॥
মদনক ধনু ভ্রুভঙ্গ ॥ ভুজ যুগ বলিত ভুজঙ্গ ॥
বহল হৃদয় সিংহবন্ধ। ত্রিবলি বলিত কটি স্কন্ধ ॥
উরু করী কর অবভাস। মৃদু পদ পঙ্কজ বিকাশ ॥
নখচয় চন্দ্রক পান্তি। পদতল অলকত ভান্তি ॥
ধ্বজ যব পঙ্কজ সোহে। পেক্ষিয়ে ত্রিভুবন মঁন মোহে ॥
অভিনব তরুণ মূরতি। কি কহব রূপ বিভূতি ॥
গতি গম্ভীর মৃগরাজ। কোটি মদন হেরি লাজ ॥
তুহুঁ নব তরুণী প্রধান। সো হরি নবীন যৌবন ॥
দুহুঁ এক বয়স সমান। কয়লি বিধি নিরমাণ ॥
ভুবন নিরুপম রূপ। শুন ধনি বচন স্বরূপ ॥
যব তব পতি সোহি হোই। সাফল জীবন তব তোই ॥
কহল ভিক্ষুক সব জানি। কৃষ্ণর কিঙ্করে বোল বাণী ॥
তযু সামাজিক কাম। ডাকি বোলহ রাম রাম ॥

ফোঁটা লেওয়া বাক্য।

ললাটে কেশব কণ্ঠে শ্রীপুরুষোত্তম।
গোবিন্দ দক্ষিণ পার্শ্বে বামে ত্রিবিক্রম
হৃদয়ত মাধব নাভিত নারায়ণ।
মূর্দ্ধে বিষ্ণু কর্ণে জানা শ্রীমধুসূদন॥
পৃষ্ঠে পদ্মনাভ, ভ্রূর মধ্যে হৃষীকেশ।
বাহুমূলে বাসুদেব নাম সুবিশেষ॥
তথা বাম বাহুত স্মরিবে দামোদর।
এহিক্রমে তিলক ধরিবে ভক্তনর॥
হরির দ্বাদশ নাম পরম পাবন।
দ্বাদশ অঙ্গত ন্যাসি করিবে কীর্ত্তন॥

বরগীত।

প্রাতু সময়ে যশোরা জননী,
মুখ-চুম্বিত শ্যাম জগারনকো।
উঠ মেরে লাল মদন গোপাল,
আরে তের গোৱাল বলারনকো॥
অব কটীয়া লেহু মাখন চক্ষু পুরি
মুরবী লেহু শ্যাম বজারনকো।
বৃন্দাবনে যোহি আনন্দ কর,
যমুনা তটে ধেনু চরারনকো॥

ছোড়ি ভুবন চলহু নন্দনন্দন
গোধন চারণ কারণ রে।
দাম সুদাম সখাসব মিলায়ত
আনন্দে গোবিন্দ খেরি খেলায়ত রে॥
শত শত বৎস অমল বিমল
নবীন চবীন লাবত রে।
শিঙ্গা উপাঙ্গ বেণু মুহ বাজত
হেরি গোয়াল ভুলায়ত রে॥
গিরিপতি ধ্যান তেজি অবধান
মুরলীক সান বিমোহিত রে।
তেহোঁ জগন্নাথ দাসকি মাধব
মুহ ভরি বায় কহায়ত রে॥

বিষ্ণুর দ্বাবিংশতি অবতার।

১। কৌমারসর্গ—অর্থাৎ সনৎকুমার, সনক, সনন্দ, সনাতন, ২। বারাহ, ৩। নারদ, ৪। নরনারায়ণ, ৫। কপিল, ৬। দত্তাত্রেয়, ৭। যজ্ঞ, ৮। নাভি, ৯। পৃথু, ১০। মৎস্য, ১১। কূর্ম্ম, ১২। ধন্বন্তরী, ১৩। মোহিনী নারী বেশ, ১৪। নরসিংহ, ১৫। বামন, ১৬। পরশুরাম, ১৭। ব্যাস, ১৮।১৯ শ্রীরাম, ১৯।২০ কৃষ্ণ-রাম, ২১। বুদ্ধ, ২২। কল্কী।

সপ্ত বৈকুণ্ঠের নাম।

১। শ্বেতবিলাস, ২। সান্তানুবিলাস, ৩। পুষ্পবি
৪। পঙ্কজবিলাস, ৫। কনকদণ্ড, ৬। সনাতন, ৭। গোবে

সপ্ত সিন্ধুর নাম।

১। কবি, ২। হবি, ৩। অন্তরীক্ষ, ৪। প্রবুদ্ধি, ৫। পিপ্পল
৬। আবির্হোত্র, ৭। চমচ, ৮। দ্রুমিল, ৯। করভ

চারি ধাম।

১। জগন্নাথ, ২। দ্বারিকানাথ, ৩। রামনাথ,
৪। বদরীনাথ (বদরিকাশ্রম)

চারি বেদ।

ঋক্, যজুঃ, অথর্ব্ব, সাম।
চতুর্দ্ধা বিভাগ বেদর নাম॥

চৈধ্য শাস্ত্র।

শিক্ষা, কল্প, জ্যোতিষ, মীমাংসা, ন্যায়, নীতি।
দণ্ড, ব্যাকরণ, আয়ুর্ব্বেদ, ছন্দ, স্মৃতি॥
নিরুক্ত, গান্ধর্ব্ব, ধনুর্ব্বেদ আরু কাব্য।
এহি চৈধ্য শাস্ত্র বুলি কহে সাধু সব॥

ওঠব পুৰাণ।

ব্ৰহ্ম, পদ্ম, বিষ্ণু, শিৱ, ভৱিষ্য, নাৰদ।
ভাগৱত, অগ্নি, লিঙ্গ, মাৰ্কণ্ডেয়, স্কন্দ॥
ব্ৰহ্মাণ্ড, গৰুড়, কূৰ্ম্ম, বৰাহ, বামন।
মৎস্য, ব্ৰহ্মবৈবৰ্ত্তক পুৰাণ গণন॥

বাৰ গোপাল।

স্তোককৃষ্ণ, দেৱপ্ৰস্থ, সুবল, সুদাম।
ঋষভ, বিশাল, বৰুথপ, বসুদাম॥
ভদ্ৰসেন, অৰ্জ্জুন, শ্ৰীদাম আৰু দাম।
দ্বাদশ গোপাল মই কৰোহো প্ৰণাম॥

চৈধ্য পাৰিষদ।

কুমুদাক্ষ, পুষ্পদন্ত, বিষ্বক্‌সেন, জয়।
জয়ন্ত, গৰুড়, নন্দ, সুনন্দ, বিজয়॥
সাত্বত, প্ৰবল, উতবল, শ্ৰুতদেৱ।
কুমুদ প্ৰভৃতি পাৰিষদ কৰো সেৱ॥

বাৰ বৈষ্ণৱ।

নাৰদ, প্ৰহ্লাদ, ভীষ্ম, শুক, মনু, হৰ।
ব্ৰহ্মা, বলি, যম, জনক, কপিল, কুমৰ॥

ছয় জন ভক্ত।

উদ্ধব, মৈত্রেয়, জাম্বুবন্ত, বিভীষণ।
হনুমন্ত, বিদুর, এহি ভক্ত ছয়জন॥

অষ্ট ঐশ্বর্য্য।

অনিমা, লঘিমা, প্রাপ্তি, প্রকাম্যা, ঈশিতা।
মহিমা. বশিতা, কাম্য, ঐশ্বর্য্য, কীর্ত্তিতা॥

অষ্টাঙ্গ যোগ।

যম যে নিয়ম, আসন, প্রাণায়াম।
প্রত্যাহার, ধ্যান, ধারণা, সমাধি জান॥

অষ্ট প্রকৃতি।

পৃথিবী যে জল, বহ্নি, বায়ু ও আকাশ।
অহঙ্কার, মন, বুদ্ধি. প্রকৃতি বিকাশ॥

দাসী সুত নারদর জন্মত
উপদেশদাতা চারি যোগেশ্বর।

হংস, অরুণি, যতি, বিভু।

দশ প্রাণ।

প্রাণ যে অপান, সমান, উদান আর ব্যান নামে প্রাণ।
নাগ যে কৃকর, কূর্ম্ম, দেবদত্ত, ধনঞ্জয় দশ নাম॥

দশ পার।

১। অস্ত, ২। বিষ্ণু, (পালক বিষ্ণু ও মহা বিষ্ণু) ৩। নারায়ণ (সূর্য্যমণ্ডলী নারায়ণ, জলশায়ী নারায়ণ ও শ্রীনারায়ণ) ৪। বাসুদেব (রাম, কাম, অনিরুদ্ধ, বাসুদেব।)

ষোড়শ বিকার তত্ত্ব।

পঞ্চ মহাভূত—(পৃথিবী, জল, তেজ, বায়ু, আকাশ)
পঞ্চ কর্ম্মেন্দ্রিয়—(বাক্, পাণি, পাদ, পায়ু, উপস্থ)
পঞ্চ জ্ঞানেন্দ্রিয়—(চক্ষু, নাসিকা, কর্ণ, ত্বক, জিহ্বা)
এক মনঃ।

বৃন্দাবনের বারবনের নাম।

১। বৃন্দাবন, ২। মধুবন, ৩। ভদ্রবন, ৪। শ্রীবন, ৫। ভাণ্ডীরবন, ৬। তালবন, খদীরবন, ৮। বাহুলাবন, ৯। কুমুদবন, ১০। কাম্যবন, ১১। লৌহবন, ১২। মহাবন।

মহা তীর্থ।

গঙ্গা, গয়া, কাশী, প্রয়াগ, যমুনা, গোদাবরী, সরস্বতী, নর্ম্মদা, সিন্ধু, কাবেরী, গণ্ডকী, কুরুক্ষেত্র, পুষ্কর, তাম্রপর্ণী, কৃতমালা পয়স্বিনী, প্রতাচী, মহানদী ইত্যাদি।

শ্ৰীশঙ্কৰদেৱৰ দশ নাম।

শ্ৰীশঙ্কৰ গঙ্গাধৰ ইষ্টদেৱ হৰি।
মহাপুৰুষ গুৰু আতা আৰু ডেকাগিৰি ॥
গৃহস্থ আচাৰ্য্য এহি জানা নাম দশ।
যাহাৰ স্মৰণে হয় পাপৰ বিনাশ ॥

স্থান বৰ্ণনৰ গীত।

জয় জয় বটদ্ৰৱা বৈকুণ্ঠ হুতয়।
সেহি থানে নিজগুৰু ভৈলন্ত উদয় ॥
সেহি থানে নিজগুৰু পাৰিলন্ত পাট।
ৰাম নাম মহাৰত্ন বেসাইলন্ত হাট ॥
মধ্যে পদশিলা দক্ষিণে নামঘৰ।
মণিকূট গৃহবান্ধি ৰহিলা শঙ্কৰ ॥
দক্ষিণে যাত্ৰাৰ দৌল মহাপুৰুষে নিৰ্ম্মিলা।
সাতো বৈকুণ্ঠৰ চিহ্ন আঁকিয়া দেখাইলা ॥
পশ্চিমে শিলিখা-বৃক্ষ হালিয়া আছয়।
তাহাতে আউজি গুৰু পুস্তক লিখয় ॥
উত্তৰে আকাশী গঙ্গা ভক্তিসৰোবৰ।
মধ্যৰাতি নমাইলন্ত শ্ৰীমন্ত শঙ্কৰ ॥

চাৰিকালে চাৰিহাটী মহাভক্তগণ।
চৈধ্যয় প্ৰসঙ্গ কৰে নামৰ কীৰ্ত্তন॥
সেহি থানে নিজ গুৰু কৰিলন্ত বাস।
কহয় পুৰুষোত্তম দাসকো দাস॥

—:০:—

সপ্ত বৈকুণ্ঠৰ শক্তি বৰদোৱা থান।
তথাতে ৰহিলা সৱে কৰিয়া কীৰ্ত্তন॥
যৈত আসি গুৰুজনে ভৈলা অৱতাৰ।
অন্য ভূমি কোন সম হৈবে বৰদোৱাৰ॥
সত্ৰথান চক্ৰ আদি মত অস্ত্ৰচয়।
চাৰি ৰূপে চাৰি বস্তু আসিয়া আছয়॥
কদম্ব শিলিখা বেল আৰু বৃক্ষ আম।
এই চাৰি বৃক্ষ চাৰি দিশে ভৈলা ধাম॥
ধ্বজ আদি পদশিলা মধ্যে নামঘৰ।
মুক্তে মণিকূট কৈলা শ্ৰীমন্ত শঙ্কৰ॥
চাৰি দিশে চাৰি হাটী মহাভক্তগণ।
চৈধ্যয় প্ৰসঙ্গ কৰে কৃষ্ণৰ কীৰ্ত্তন॥
উত্তৰে আকাশীগঙ্গা ভক্তি সৰোবৰ।
থান পূব দিশে থাকে ৰাম দামোদৰ॥
দক্ষিণত বাসুদেৱ লক্ষ্মী সৰস্বতী।
বাৰভক্ত চাৰিধাম পশ্চিমত স্থিতি॥

অনন্ত অচ্যুত প্ৰভু মধ্যে নিৰাকাৰ।
জীৱক তাৰিবে লাগি ধৰিলা আকাৰ ॥
পঞ্চক্ষেত্ৰ আদি ব্ৰহ্মপুত্ৰ তীৰ্থৰাজ।
ভক্তি পাই ইসবেও তৰে সামৰাজ ॥
ব্ৰহ্মগীতা শাস্ত্ৰ দিয়া জলৰ মধ্যত।
ব্ৰহ্মপুত্ৰে শৰণ লৈলেক শঙ্কৰত ॥
কি কহিবো সিটো মই মহিমা থানৰ।
বৈকুণ্ঠৰ সম সেই থান মনোহৰ ॥
হেন বৈকুণ্ঠক পৃথিবীত নিৰ্ম্মিলন্ত।
সেহি বৈকুণ্ঠত প্ৰভু শঙ্কৰ বৈলন্ত।

শঙ্কৰদেৱৰ মুখ্য ভক্তসকল।

শ্ৰীমাধৱদেৱ, শ্ৰীনাৰায়ণ ঠাকুৰ আতা, শ্ৰীৰাম আতা ৰামৰাম গুৰু, ৰামৰাম, হৰিৰাম, ৰমানন্দ, সৰ্ব্বজয়, কমললোচন হৰিচৰণ, কালিদাস, কালিৰাম, ভেকো, গদা, গোকুল বুঢ়াখা ভূঞা, কমলিধৰা, পৰমানন্দ, গোবিন্দ, অনিৰুদ্ধ দৈবজ্ঞ নাৰায়ণ, ৰৰভকত, বনগয়া গিৰি, হৰিগুৰু, সুন্দৰ নতুৱা, লতিমা, তাপাৰ বলোৰাম, ৰৰকছা, সৰুকছা, কণ্ঠভূষণ গুৰু, ভাস্কৰ গুৰু, বিপ্ৰ দামোদৰ, গোবিন্দ বিপ্ৰ, বুঢ়া দলৈ উদাৰগোবিন্দ, ৰামদাস, হৰিদাস, অৱনা বনা বনকৰা, জগন্নাথ ভীমা, বলোৰাম, জতিৰ মাধৱ, পুৰুষোত্তম, চতুৰ্ভুজ, চিলাৰায় দেৱান, গোবিন্দ, গৰমলি, ইত্যাদি।

মাধবেন্দ্রের মুখ্য ভক্তসকল।

কেশবচরণ আতা, বিষ্ণু আতা, গোপাল আতা, হরিহর আতা, বেহেবিয়া বিষ্ণু আতা, মথুরাদাস আতা, বদলা আতা, রাম রাম আতা, মহোদানন্দ আতা, সহজানন্দ আতা, হরি আতৈ, সঞ্জয় গুরু, বংশীগোপাল, গোসাই, আধারর যদুমণি, লাইহাটীয়া শ্রীহরি বিপ্র, রামচরণ ঠাকুর, গোমার গোবিন্দ, দামেপারে, শ্রীহরি, নারায়ণ. নিরঞ্জন, ঋটীরপো গোবিন্দ, জনার্দ্দন, কামদেব, বালক দাস, চতুর্ভুজ, ঘাগবিমাজি সাহন আতৈ, বঘুনিরঞ্জন, পঢ়িয়া লক্ষ্মীকান্ত, মনপুর, কেশ গায়ন, পুহকর. চিনিপাগদ বলাই, নগরীয়া বলাই, খিরা মরল, মাধব মরল, অচ্যুত গুরু, বুঢ়া জয়নন্দ, নশিকার পুরাম, চোরঙ্গিয়া শ্রীরাম, বরবৈকুণ্ঠ, সরু বৈকুণ্ঠ, বর তুলসী, সরু তুলসী, বর হরি, সরু হরি, হরি কৃষ্ণ, শিবানন্দ লহকর, রূপারর লহকর, বোলাই, মাণিক পুরীয়া কৃষ্ণ, কেশ হাজরা, গন্ধর্ব্ব, রামচন্দ্র লহকর, হরিচরণ, ভৃগু গুরু, ভৃগুমাস্ত, জয় কলিতা, বোলবুজা বুঢ়া, কালিকেশ, রামরাম রামনারায়ণ, হরিনারায়ণ, খৈ খারা দলৈ, কজলা মাজী, বর যদুমণি, সরু যদুমণি. রাম গুরু, কান্নাই ইত্যাদি।

গোপালদেবের মুখ্য ভক্তসকল।

* নিরঞ্জন দেব বনমালী দেব, জয়হরি দেব, মিশ্র দেব, আধলীয়া যদুমণি, হেঙ্গুলীয়া যদুমণি, ভূঞার পুত্র অনিরুদ্ধ,

জগন্নাথ, বিষ্ণু, ভাৰতী, ৰামকন্দলি, মুকুন্দ, মোহন, যদুৰাম, দ্বাৰকা, লক্ষণ, গোকুল, পৰশুৰাম, কেশৱচৰণ, মধুসূদন, মাধৱচৰণ, ৰামচৰণ, মুৰাৰি, শ্ৰৱণী, বামন, কৃষ্ণচৰণ, যদুমণি, ৰমাই, ৰঘুপতি, মাধৱ, ভৱানন্দ, হৰি, ৰামদাস, পকামধুসূদন, ধীপনিয়াল ইত্যাদি।

শ্ৰীশঙ্কৰদেৱৰ ভক্তিৰ এটকা সহ সত্ৰ স্থাপন যুনা

ঘোষা।

ভাবিও ভাই ঈশ্বৰৰ ৰূপ, নানান স্বৰূপ।
একৰূপ কৰি ভাবিও ভাই, হৰিসে বন্ধু স্বৰূপ

পদ।

পূৰ্ণ ভগৱন্ত উদয় ভৈলা।
নিজ কীৰ্ত্তি থৈয়া বৈকুণ্ঠে গৈলা॥
সেহি গুপ্ত ধৰ্ম্ম জানিও কলিত।
চাৰি মূৰ্ত্তি ধৰি ভৈলা বিদিত॥
পূৰ্ব্বত শঙ্কৰ সেৱে মাধৱ।
সঙ্গে দামোদৰ কৰে প্ৰণয়॥
পশ্চিমে ৰূপ সনাতন দেৱে।
উত্তৰে নিয়াছন্ত হৰিদেৱে॥

দক্ষিণে নিত্যানন্দ চৈতন্যক।
সেবিত চাবিমূর্ত্তি প্রকাশক॥
পূর্ব্বে ভাগবত বৈকুণ্ঠে স্থিত।
সূত মুখে ভূমি ভৈলা বিদিত॥
নৈমিষাক্ষেত্রে সূতে প্রচাবিলা।
বাবাণসী স্থানে মহেশে নিলা॥
শঙ্কব আচার্য্যত হস্তে পাই।
পদ্ম আচার্য্যক দিলা তুনাই॥
পদ্মাচার্য্যে ভট্টাচার্য্যত স্থিত।
ভট্টাচার্য্যে জগমিশ্র বিদিত॥
জগদ্দীশ মিশ্রে শঙ্কব ঠাই।
পূর্ণ কৃষ্ণ জানি দিলা যোগাই॥
বৈকুণ্ঠে গৈলা মাধবক থই।
আরব বিপ্র দামোদব কই॥
শুনিয়ো দামোদব আজ্ঞা পাই।
চাবিজন বিপ্রে পথ সুচাই॥
প্রথমে বিদ্যা ভট্ট নাম ধবি।
পাটবাউসিত সত্রক কবি॥
গবৈমাবি সত্রে সত্ত সত্তম।
বহুবিত হবিদেব উত্তম॥
বৈকুণ্ঠপুবে বলো বেহেবাত।
হবিদেব আজ্ঞা যদু মাহাবাত॥

বলোৰ আজ্ঞা পায়্যা বনমালী ।
দক্ষিণপাট সত্রে ধৰ্ম্মক পালি ॥
মাধৱৰ বাক্যে বংশীগোপাল ।
দেৱেৰা পাৰে কৰে ধৰ্ম্ম পাল ॥
বংশী গোপালৰ বাক্যক ধৰি ।
লৰি মিশ্র হুই প্রচাৰ কৰি ॥
মিশ্রৰ পুত্র ৰামকৃষ্ণ ভাই ।
কুকুৰাবাহী দিফলুত ঠাই ॥
লৰিৰ পুত্র লক্ষ্মী গড়মূৰে ।
বৈভলন্ত আচাৰ্য্য জয়ৰাম ঠাকুৰে ॥
ভাতৃ ৰামচন্দ্র জয়পুৰত ।
কনিষ্ঠ ৰামচন্দ্র চাপখিত ॥
লৰিৰ পুত্র আচাৰ্য্য নিৰঞ্জন ।
আউনীআটীত কেশৱ শোভন ॥
বামুণীয়া আৰা সব বোলয় ।
শুনিয়ো নিকাপথ কহোঁ মই ॥

নিকা পথ ।

বৰপেটা সত্রে মথুৰা দাস ।
বেহেৰাত বৈভলা বিষ্ণুৰ নিবাস ॥
দক্ষিণসত্রে বিষ্ণু চামৰিত ।
ভাগিন ৰামচন্দ্র সুন্দৰিত ॥

মধুপুর সঙ্গে পদো আছে।
মাধব বাক্যে সদা প্রবর্ত্তয় ॥
গোপাল বহুলাত অনুপাম।
পদো বাক্যে কমলাত শ্রীরাম ॥
নিকা পথ কথা সমাপি থওঁ।
পুরুষ সংহতি শুনিয়ো কওঁ ॥

পুরুষ সংহতি—ববাবেজন।

শ্রীশঙ্কর দেৱৰ পুত্র প্রথম।
জ্যেষ্ঠ পুরুষোত্তম নাম শোভন ॥
তাহান আচার্য্য দ্বাদশ জন।
কহোঁ তাসম্বাৰ যাৰ যেন থান ॥
শ্রীকৃষ্ণ এলেঙ্গি লেটুৰ গ্রাম।
চিপহাত কৃষ্ণ চৰণ নাম ॥
বেঙ্গেনাআটীত মুৰাৰি ভৈলা।
মুকুন্দ কাঠৰ পুত্রক কৈলা ॥
সাউকুছি হৰি চৰণ খ্যাত।
কমললোচন থাকৰিয়ালত ॥
এহি ছয়জন শূদ্র ব্রাহ্মণ আৰ।
শুনিয়ো কহোঁ সত্র কৈত কাৰ ॥

পৰশুৰাম বৈলা পুনিয়াত।
চেকেৰা তলে গোপীনাথ খ্যাত॥
মৰঙ্গিয়ালত ৰামকৃষ্ণ হয়।
চতমিয়াত বাসুদেৱ ৰয়॥
ভাগতীৰ পৰমানন্দ বন্তপুৰে।
গোমোথাৰ ৰামকৃষ্ণ থাকুৰে॥
বেহেকৰা লক্ষ্মী ঠাকুৰ প্ৰিয়া।
নিৰঞ্জন জামাতাত ধৰ্ম্ম থাপিয়া॥
নিৰঞ্জন পুত্ৰ তৃতীয় ভৈলা।
চক্ৰপাণি চামগুৰিত বৈলা॥
দীঘলি সত্ৰে শাৰঙ্গপাণি।
গদাপাণি ছৰাইখোলা ৰথানি॥
বৰ বাৰেজন কহিলো আৰ।
সৰু বাৰেজন কহিবো আৰ॥

সৰুবাৰেজন।

হালধিআটীত মুকুন্দ নাম।
কেশৱ কৰৈ চুঙ্গিত ঠাম॥
চুঙ্গাপাৰ সত্ৰে নাম কানাই।
বনগঞা হৰিদেৱ বোলাই॥
বিহিমপুৰত গোবিন্দ ভৈলা।
জয়হৰি খাৰকটাত বৈলা॥

কাৱৈমাৰী সত্ৰে জয় গোপীনাথ।
সনাতন বেলগুৰিত খ্যাত॥
মিচিমি হৰিচৰণ বুলি।
ভাবোৱাত বিষ্ণু দেৱ সমূলি॥
গুৱাভৰিয়াত নামে কানাই।
ৰত্নাকৰে ৰাজগুৰু বোলাই॥
এহি বাৰজন কহিলো সাৰ।
কনকাৰ আজ্ঞা শুনিয়ো আৰ॥

কণকলতাৰ আজ্ঞাপৰ।

১। চতুৰ্ভুজ ভাৰ্য্যা কনকলতা।
তাহান আজ্ঞাত দুই সুভিতা॥
দুহিত্ৰী সুভদ্ৰা তান তনয়।
অনন্ত নামে কোৱামৰাত ৰয়॥
ঠাকুৰ বাহিনী গোবিন্দ প্ৰিয়া।
তান পুত্ৰ দামোদৰ থাপিয়া॥
আই কনকাৰ বাক্যক পাই।
আৰু বাৰেজন সন্ত বোলাই॥
২। কৌপাতি সত্ৰে ৰামচৰণ।
নাচপাৰ সত্ৰে ৰাম শোভন॥
নলডিয়ালত জয় গোপীকান্ত।
নেপালি সত্ৰে বৈলা ৰতিকান্ত॥

লক্ষীপুরে নাম রঘুপতি।
করতি সত্রে স্থিতি হরিগতি॥
পরমানন্দ কথোর গ্রাম।
কমলাবারীত গোপাল নাম॥
নাচপার সত্রে রাম শোভন।
পাসরিতাত কৃষ্ণ গহন॥
শালমারী সত্রে কৃষ্ণ স্থিত।
বাচপতি নামে আরু বিদিত॥
আই কনকার বাক্যক পাই।
এই বারজন সন্ত বোলাই॥
পুরুষ সংহতি সমাপি থওঁ।
কালজার পন্থ শুনিয়োক কওঁ॥

কালজার পন্থ।

গোপালদেবর আতাপর মহন্ত।

মাধবর বাক্যে পূর্ণ গোপাল।
ভবানীপুরে করা ধর্ম্ম পাল॥
শ্রীমন্ত গোপালর আতাপর।
ভৈলন্ত বারজন ধর্ম্মধর॥
প্রথমে বর আতা নাম ধরি।
হেহুলিয়া যদুমণি দেৱ হরি॥

বাংশবাৰী সত্ৰে স্থান কৰিলা।
জগত জুৰিয়া ধৰ্ম্ম বাখিলা॥
আৰব সক যত্নমণি দেৱ হৰি।
ৰহিলা গজলাত সত্ৰ কৰি॥
ভূঞাৰ পুত্ৰ অনিৰুদ্ধ নাম।
লোহিত তীৰে কৰিলা থান॥
দহুঘৰ সত্ৰে বৈলা নাৰায়ণ।
নগৰীয়া সত্ৰে বৈলা সনাতন॥
চৰাইবাহি সত্ৰে নামে মুৰাৰি।
বিপ্ৰ ছয়জন কহোঁ বিচাৰি॥
আঁহতগুৰিত শ্ৰীৰাম নাম।
ৰামচন্দ্ৰ খোৰা মোচৰ থান॥
মাকোৱাৰী পুৰুষোত্তম শোভন।
আৰব সন্ন্যাসী ৰাম চৰণ॥
হাবুঙ সত্ৰে পৰমানন্দ নাম।
ভৈলাহা ৰাজগুৰু অনুপাম॥
এহি বাৰজন বাৰ থানত।
কল্ত গোপালৰ ধৰ্ম্ম সতত॥
গোপালদেৱৰ পুত্ৰ কমল।
প্ৰবৰ্ত্তে নাম ধৰ্ম্ম সুনিৰ্ম্মল॥
শুনিয়ো ভেঙ্গুলীয়া যত্নমণি হস্তে।
যৈত যিবা জনে ধৰ্ম্মক কস্তে॥

—১৪

জ্যেষ্ঠ পুত্ৰ শ্ৰীসনাতন তাৰে।
শিলিখাতলে ধৰ্ম্ম প্ৰবৰ্ত্তাৰে॥
ৰতিকান্ত লেঙ্গদিত উদিত।
কনিষ্ঠ শ্ৰীকান্ত নৰ মাটিত॥
ৰতিকান্তৰ পুত্ৰ উদিত ৰাম।
উদিত ৰাম পুত্ৰ পঞ্চ অনুপাম॥
মুকুন্দ হৈলা লেঙ্গদিত উদিত।
কামদ হৈলা বাংশবাৰিত॥
জগধৰ সৰমৰাত স্থিতি।
হৈলা নৰবৰ তৈলপানীত॥
গিৰিধৰ ধল সত্ৰত হৈলা।
ইসবে যদুমণি ধৰ্ম্ম কৈলা॥
শ্ৰীৰমানন্দ দেৱ আজ্ঞাত।
শুনিয়ো যিবা ধৰ্ম্ম কন্ত হৈত॥
বৰ কৃষ্ণ মৈৰামৰাত স্থিত।
শ্ৰীকৃষ্ণ কাটনি পাৰে বিদিত॥
বলমি সত্ৰে বিজয়ানন্দ।
ডিবক সত্ৰে হৈলা সদানন্দ॥
এই চাৰি মূৰ্ত্তি ধৰ্ম্মক কন।
বৰ কৃষ্ণ পুত্ৰ জগমোহন॥
চেকামুখ সত্ৰে তান তনয়।
উজনি সত্ৰে ব্ৰহ্মানন্দ ৰয়॥

মধ্যম চতুর্ভুজ মধ্যে স্থিত।
পদ্মনাভ মালাদিক বিদিত॥
জয়দেব যৈবা মধ্যাত খান।
শুনা শ্রীকৃষ্ণ পুত্রর নাম॥
জ্যেষ্ঠ পুত্র নামে সুদর্শন।
চলিলা সত্রে আর শোভন॥
বৃদবারি সত্রে বিজয়ানন্দ।
কাটনিপারত বৈলা সুনন্দ॥
সোদর দেব সন্তানন্দ সঙ্গে।
সম্পাদ ধর্ম্ম প্রচারিলা রঙ্গে॥
গোকোলচান্দ সাপখেয়ায়ে।
বিপ্র রূপে কৃষ্ণপদ ধিয়াবে॥
রমাকান্ত দেব রাম কানাই।
সুনন্দর আজ্ঞা মস্তকে লই॥
কাটনিপারত ধর্ম্ম থাপিলা।
শ্রীকৃষ্ণ চরণ চিন্তি রহিলা॥
নরমাটি সত্রে শ্রীকানাই।
সদা সুন্দর পদ ধিয়াই॥
শ্রীরামকানাইর নিজ শকতি।
হরিবিলাস নামে হৈলা উৎপত্তি॥
কালজার পথে ইহাক বুলি।
চারিও পথক কৈলো সমূলি॥

একে অগনিৰ অনেক নাম।
একে স্বৰ্ণৰ বহুত কাম॥
একে ঈশ্বৰৰ বহুত মূৰ্ত্তি হই।
জীৱক কৃপায়ে হোন্ত উদয়॥
বাস্তৱত একো ভিন্ন নোহয়।
অজ্ঞানী সকলে ভিন্ন মানয়॥
ইহাক যিটো ভেদ ভাব কৰে।
অৱশ্যে সিটো নৰকত পৰে॥
ইটো সত্তাখ্যান কথা গহন।
আমি মূঢ়মতি অলপ জন॥
তথাপিতো কৈলো মনত আশ।
ইটো দোষ ক্ষমা জগনিবাস॥
সকলো সন্তৰ হৈবোহো দাস।
প্ৰণামো সবাকো দমায়া মাথ॥
কহয় মূকথমতি এৰি আন কাম।
সমাজে বেঢ়িয়া ডাকি বোলা ৰাম ৰা'

সমাপ্ত